# সেউজ চৌহদে মাতে ৰিঙিয়াই

(একুকি কবিতা সংকলন)

প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন

১১ আৰু ১২ ফেব্ৰুৱাৰী, ২০২৩

কৃষি মহাবিদ্যালয়, যোৰহাট

অসম কৃষি বিশ্ববিদ্যালয়

# সেউজ চৌহদে মাতে ৰিঙিয়াই

(একুকি কবিতা সংকলন)

**প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন**

১১ আৰু ১২ ফেব্ৰুৱাৰী, ২০২৩

**কৃষি মহাবিদ্যালয়, যোৰহাট**

**অসম কৃষি বিশ্ববিদ্যালয়**

***Seuj Sauhode Mate Ringiyai :*** A collection of poem written by the alumni of College of Agriculture, AAU, Jorhat in alumni social media platforms on the occasion of Alumni Meet, 11-12 February, 2023

---

**সংকলন আৰু সম্পাদনা ঃ**
**অঞ্জন কৃষ্ণ শৰ্মা**

**প্ৰকাশ ঃ** ফেব্ৰুৱাৰী, ২০২৩

**প্ৰকাশক ঃ** আয়োজক সমিতি
প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন, ২০২৩
কৃষি মহাবিদ্যালয়, যোৰহাট
অসম কৃষি বিশ্ববিদ্যালয়

**মুদ্ৰণ ঃ আয়ানচ ওৱৰ্ল্ড, যোৰহাট**

# সম্পাদকৰ একলম

কৃষি মহাবিদ্যালয়, যোৰহাটৰ মহাৰজত জয়ন্তী উপলক্ষে আয়োজন কৰা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনত দেশে-বিদেশে বিভিন্ন কৰ্মক্ষেত্ৰত নিয়োজিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক একত্ৰিত কৰাৰ উদ্দেশ্যে সামাজিক মাধ্যমৰ সহায় লোৱা হৈছিল । এই সামাজিক মাধ্যমলৈ তেখেতেসকলে ভালেমান সুখপাঠ্য কবিতা লিখি প্ৰেৰণ কৰিছিল, কৃষি মহাবিদ্যালয়ৰ ছাত্ৰ জীৱনৰ মধুৰ স্মৃতিয়েই এই কবিতাসমূহৰ মূল উপজীব্য। এই কবিতাসমূহ একত্ৰিত কৰি প্ৰকাশ কৰাৰ কথা সন্মিলনৰ আয়োজক সমিতিয়ে পৰিকল্পনা কৰি মোৰ ওপৰতে এই দায়িত্ব ন্যস্ত কৰাত কামটো যথাসাধ্যে নিয়াৰিকৈ কৰিবলৈ প্ৰচেষ্টা চলাইছিলোঁ যদিও ইয়াতো হয়তো কিছু আসোঁৱাহ ৰৈ গৈছে । তাৰ বাবে মই সকলোৰে ওচৰত আগতীয়াকৈ ক্ষমা বিচাৰিছোঁ ।

এই ছেগতে কবিসকলে তেওঁলোকৰ অনুপম সৃষ্টিৰাজি প্ৰকাশ কৰাৰ বাবে অনুমতি দিয়া বাবে ধন্যবাদ জ্ঞাপন কৰিলোঁ । লগতে কবিতাপুথিখনি প্ৰকাশৰ গুৰু ভাৰ লোৱাৰ বাবে আয়োজক সমিতিৰ সভাপতি ড° জয়ন্ত ডেকা মহোদয় আৰু সাংগঠনিক সম্পাদক ড° কল্যাণ পাঠক মহোদয়লৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। কবিতা পুথিখন প্ৰকাশৰ মুখ দেখাত কৃষি বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য ড° বিদ্যুত চন্দন ডেকা মহোদয়ে যোগোৱা উৎসাহ আৰু পৰামৰ্শৰ বাবে বিশেষ কৃতজ্ঞতা জনালোঁ ।

কবিতা শব্দৰ শিল্প আৰু সাধনাৰ দ্বাৰা আয়ত্ত কৰা কলা। আধুনিক কৃষি শিক্ষাৰে শিক্ষিত ছাত্ৰ-ছাত্ৰীসকলে মনৰ মাজত থূপ খাই থকা অনুভূতিবোৰ কবিতাৰ মাধ্যমৰে প্ৰকাশ কৰি নিজৰ বুকুত বান্ধিলৈ ফুৰা মহাবিদ্যালয়খনিৰ প্ৰতি অকৃত্ৰিম স্নেহ প্ৰকাশ কৰিছে। এই স্নেহৰ বাবেই তেওঁলোকে য'তেই নাথাকক কিয় মহাবিদ্যালয়খনিলৈ বাৰে বাৰে উভতি আহিব বিচাৰে। এই মহাবিদ্যালয়ৰ সেউজ চৌহদটোৰে সদায়েই যেন প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক ৰিঙিয়াই মাতি থাকে। এই আহ্বানৰ প্ৰতি সহাৰিয়ে এই পুনৰ মিলন সমাৰোহৰ জন্ম দিলে আৰু আমি সকলো সমবেত হোৱাৰ বাবে সুযোগ পালোঁ।

এই আকাৰত সৰু কবিতা পুথিখনি সকলোৱে আদৰি ল'লে আমাৰ শ্ৰম সাৰ্থক হ'ব ।

সকলোকে স্নেহ আৰু শ্ৰদ্ধা জনালোঁ ।

**অঞ্জন কৃষ্ণ শৰ্মা**

# উছৰ্গা

এই মাটিৰ মোহ এৰি আমাক কন্দুৱাই যি সকল
সুহৃদ এগ্ৰিয়ান অকালতে পৃথিৱী এৰি গুছি গ'ল
তেওঁলোকৰ পবিত্ৰ স্মৃতিত এই  কবিতা
সংকলনটি উছৰ্গা ক'ৰা হ'ল।

# আপুনি আহিব, বাট চাই আছোঁ আমি

— দ্বীজেন্দ্ৰ মোহন বৰ্মন

আপুনি শইচ জীৱনৰ
শ্যামলিমা
ৰ'দে পোৰা কৃষকৰ
(মাখন লগোৱা বুলি নাভাৰিব,
বিদ্যা শপত !)

ক'ত আছিল ঘৰ
বনগাঁও নে জেৰাইগাওঁ
গুৱাহাটীৰ নিজৰাপাৰ
অথবা ডিব্ৰুগড়ৰ মিলননগৰ
আছিল আৰু ক'ৰবাত

আচ্ছা,
কোনটো হোষ্টেলত
আছিল আপুনি
এক নম্বৰ, দুই নম্বৰ, তিনি নম্বৰ
চাওঁক আপুনি নাই পাহৰা
আপুনি আছিল চাৰি নম্বৰত
এতিয়া তাত মেঘালী চুলিয়ে
ঢৌ খেলে, দলি মৰা শিলগুটিয়ে
ভাঙে পানীৰ মৌনতা।

বিদ্যা শপত
মিছা নক'ব
আপোনাৰ হৃদয়ত এহালী চকুৱে
আমনি কৰিছিল
সহপাঠী কিম্বা জুনিয়ৰ
অথবা ওচৰৰ কলেজখনৰ

মই জানো, ৰ'ব ভয় নাখাব
বৌৱে বা ভিনদৌৱে
কথাটো গম নাপায়
কঢ়িয়াই ফুৰিছে সেই স্বৰ্গীয় অনুভূতি ?
কি ঠিক সেই হালী চকুৱে
আপোনাক বিছাৰি ফুৰিছে
জীৱনৰ নিতৌ পুৱা-গধূলি !
জ্বলাইছে আপোনাৰ নামত
এগছি আলফুল বন্তি
(ভুল নুবুজিব, আপোনাৰ কুশল কামনা কৰি)

তেওঁ আহিব সিদিনা !
আপোনাৰ অৱস্থা হ'ব চাবলগীয়া
ঘৰতে থিৰাং কৰি আহিব
কি ল'ব কফি, ক'ল্ড ড্ৰিংকচ নে চাহ !

বিদ্যা শপত
মিছা নাই কোৱা
ৰ'ব, আপুনি যি এৰি থৈ
গৈছিল সেউজৰ দলিচাত
অনুগ্ৰহ কৰি সাঁচি থ'ব বুকুত গুপুতে
সময় বৰ অঁকৰা
নুবুজে একোকে।

অ’ মইনা, কলৈ যোৱা
সেয়া ন নম্বৰ বা দুই নম্বৰ হোষ্টেলৰ
খিৰিকীৰ আত্মীয়তা

আমি মইনা নহয় দেই
চিনি পাইছোঁ মাতটো যেনিবা

আহিব আপুনি
মনত পেলাব নিৰ্দোষ ধেমালি
লগত লৈ যাব
জীৱন আৰু জীৱনৰ খৰিকাজাঁই

আহক, খন্তেক বহিম
কেণ্টিন বা প্লাজাত
আপুনি ক’ব গাজাখুৰি
আমি শুনিম বিস্ময়হৈ
চাই ৰ’ম আপোনাৰ চকুলৈ
আপুনি মূৰ খজুৱালে
বুজি পাম গাজাৰো থাকে
ইতিহাস
আমি হাঁহিম, কিয় হাঁহিম নাজানিম
নুসুধিব কিন্তু
হাঁহে হাঁহে নে নেহাঁহে
হাঁহিয়ে পুখুৰীৰ পানীত
ঢৌ খেলিব,
ৰৈ দিব ঘড়ীৰ কাটা
আমি ঘূৰাই পাম ল’ৰালি

সময় বৰ অঁকৰা
বিদ্যা শপত
আমি কিন্তু পাৰিম কিৰিলি

লাজ লাগিব ?
ধেৎ কিহৰ লাজ
বৰুৱা চাৰি আলিত
এৰি থৈ আহিম নহয়
আমাৰ পোচাকী সাজ
(নিজৰ বয়সটো চম্ভালিব কিন্তু!)

আপোনাৰ লগৰজনক ক’ব
ভেমটো লৈ বহি নাথাকিবলৈ
তাহানিতে যি কথা নহ’ল কোৱা

মই নাজানো, আপুনি
ভাল পায় নে নাপায় কবিতা
মনত আছে
অ’ডিট’ৰিয়ামত আপোনাক দেখা

হয়, নিজৰ অজানিতে
আপুনি কঢ়িয়াই ফুৰিছে
সেউজৰ বাউলি বতাহ

আহকনা, আকৌ এবাৰ
ফাগুন হওঁ
ট্ৰাই এংগলটোক সুধোঁ
কেনে আছা তুমি?

# এনাজৰী

— মৌচম হাজৰিকা

উদ্দেশ্য আছিল পঢ়া
আৰু এটা ডিগ্ৰী লোৱাৰ।

সেই কাৰণেই
আমি লগা-লগি হ'লো
বিভিন্ন স্থানৰ পৰা এক স্থানত।

সেইকাৰণেই
আমি লগা-লগি হ'লো
এটা অনুষ্ঠানত
এটা ধুনীয়া চৌহদত।

কেতিয়াবা ক্লাছ কৰিলোঁ,
আৰু কেতিয়াবা পৰীক্ষা দিলোঁ।

কিন্তু কেতিয়া, কেনেকৈ
বন্ধুত্বৰ এনাজৰীডালে
আমাক বান্ধিলে
আমি গমেই নাপালোঁ।

আজি মই যদি আতৰি যাওঁ
তুমি অকলশৰীয়া,

তুমি যদি আতৰি যোৱা
মই অকলশৰীয়া।

আজি জীৱন যুঁজত
আমি সকলোৱেই ৰণুৱা।

কেতিয়াবা সফল হওঁ,
কেতিয়াবা বিফল হওঁ।

কেতিয়াবা ভাগৰ লাগে,
কেতিয়াবা হতাশাও আহে।

এতিয়া আমাৰ অহংকাৰ
এৰাৰ সময়।

এতিয়া আমাৰ দম্ভ
এৰাৰ সময়।

এতিয়া আমাৰ বন্ধুত্বৰ এনাজৰীডালৰ
পেৰাচুটৰ ৰচীৰ দৰে হোৱা ভাল।

ই হ'ব নালাগে মাটিৰ পাত্ৰ,
ই হ'ব নালাগে এটা কাচৰ ফুলদানী।

এতিয়া আমাৰ বন্ধুত্বৰ এনাজৰীডালৰ
পেৰাচুটৰ ৰচীৰ দৰে হোৱা ভাল।

তোমালোকৰ কথা মনত পৰিলে,

তোমালোকক কৰবাত কেতিয়াবা লগ পালে,

ম'বাইলত হঠাৎ ফোন কল আহিলে,
হোৱাট্ছআপ, ফে'চবুকত
তোমালোকৰ মেছেজ দেখিলে,

হোষ্টেলত থকা দিনবোৰলৈ
মনত পৰি যায়।

সেই সময়ৰ
যৌৱন ঘূৰাই পোৱা যেন লাগে।

তোমালোকৰ বাবেই
মই জোৰকৈ হাহোঁ,
কমকৈ কান্দো,

আৰু উভতি যাওঁ
লাইব্ৰেৰীলৈ, বিপণীলৈ,

উভতি যাওঁ
গড়আলিলৈ, চাহ বাগিছালৈ...

(কথা-কবিতা)

## সেউজ চৌহদৰ আন এক পৃষ্ঠা

**—নিবেদিতা ডেকা**

আই ডি এ বিল্ডিঙৰ ক্লাছ, ফিল্ডৰ
প্ৰেক্টিকেল, হোষ্টেলৰ পনীয়া ডাইলৰ
মাজতে মানী অৰ্ডাৰলৈ অধীৰ অপেক্ষা।
সহপাঠীৰ মাজত জোকোৰা জুকি,
মতানৈক্য, কোনোবা এজন ছাৰক
সাংঘাটিক ভাল লগা, ক'ব নোৱাৰাকৈয়ে
ছিনিয়ৰৰ সৈতে প্ৰেম, প্ৰভৰাজত
চিনেমা চাই দৌৰি দৌৰি হোষ্টেলত সোমোৱা,
ৱাৰ্ডেনৰ ৰঙা চকু। সমাৱৰ্তন, স্বামীনাথন
ছাৰৰ সাৰগৰ্ভ বক্তৃতা, ডিগ্ৰী, চাকৰীৰ ইণ্টাৰভিউ....

সময় সলনি হয়, প্ৰেমিকৰ সৈতে বিয়া,
প্ৰথম ক্লাছ লওঁতে কঁপনি উঠা, ক্লাছ লওঁতে
খটাসুৰ অথচ মৰমলগা লৰাকেইটাৰ
উৎপাতবোৰ, সুন্দৰ হাতৰ আখৰৰ ধুনীয়া
ছোৱালীৰ বহীবোৰ। হোষ্টেলৰ ৱাৰ্ডেন হৈ
ছোৱালীক শাসন কৰাৰ অভিজ্ঞতা!

ষ্টুদেন্তৰ দেৱালী সন্ধিয়া, কলেজ ৱীক,
ইণ্টাৰ কলেজ মীটৰ অবিছেদ্য অংগ
হৈ পৰো আমিবোৰ, অধ্যাপকবোৰ। অনবৰতে
মনত হাবিয়াস, কিবা এটা কৰি যাওঁ এইখন
ইউনিভাৰ্ছিটিৰ কাৰণে, ষ্টুডেণ্টৰ কাৰণে,
প্ৰকল্প বনোৱা, গৱেষণা পত্ৰ লিখা, কৃষকক
কিবা এটা সহায় কৰাৰ তাগিদা....

অৱসৰৰ সময় চমু চাপি আহিছে,
কেনেকৈযে এৰি যাম এই সেউজ কেম্পাচ!
এই চৌহদৰ পৰা মই বহুত পালোঁ। কিন্তু কি
দিব পৰিলোঁ! পোৱা আৰু দিয়াৰ তুলাচনীখনত
পোৱাৰ ফালটো বহুত গধুৰ।

আজিৰ সময়ত কওঁ, বহুত ভাল পাওঁ
তোমাক, সেউজীয়া চৌহদ। সেলুট
জনাইছোঁ অসম কৃষি বিশ্ববিদ্যায়ক ।

# আমি আহিলোঁ
# অ’ মোৰ সেউজৰ বসুন্ধৰা

**—দ্বীজেন্দ্ৰ মোহন বৰ্মন**

কথা দিছিলোঁ
ব’হাগত আহিলে
চোবাম দুটামান
আমৰ কলি

আগতীয়াকৈ আহিলোঁ জানা
তুমি যে মাতি আছা
হাত বাউলি
উন্মনা ৰ’দালিয়ে
বহলাই পাৰিছে পাটী ।

হে মোৰ সুহৃদ
সতীৰ্থ অভিমানী
জনাই দিয়ানা
উকি এটা মাৰি
আমি আহিলোঁ
অ’ মোৰ সেউজৰ
‘মেম চাহাব পৃথিৰী’

ধূসৰ ধূলিৰ হেজাৰ ছবিৰ মাজতো
মই বৰ সহজে কৈ দিব পাৰোঁ
তোমাৰ উপস্থিতি; এইযেন
তুমি মোক স্পৰ্শ কৰিছা
তোমাৰ আঙুলিৰ ফাকত লাগি আছে
মোৰ বুকুৰ বসন্ত উৎসৱ একোটা

কি আঁকি ৰাখিছা
অ’ মোৰ সেউজীয়া
কি আঁকি ৰাখিছা
বুটা বছা চাদৰৰ আঁচলত

তোমাৰ আঁচলৰ সুবাস লৈ
ঠিক এইখনিতে
ঠিক এইখিনিতে এৰি থৈ গৈছিলোঁ
মোৰ বুকুৰ এফাল
কলিজাৰ আমঠু
সোণাৰু হালধীয়া পলাশৰ ৰঙীন ৰুমাল

চকু মুদিলেই
থম-থমকৈ বহি থাকা তুমি
এটা নিশ্চুপ নিশাৰ দৰে
তোমাৰ গোপন অহা-যোৱা
অনুভৱত অনুৰণন তোমাৰ
স্মৃতি বিষাদ গাঁথা
অথচ কি আচৰিত
চুই দিলেই জঁয় পৰি যায় ৰূপোৱালী নিশা

দিন হিচাপত
মাহ হিচাপত
অথবা
বছৰ হিচাপত
সৌ সিদিনাৰ কথা

এইখিনিতে, ঠিক এইখিনিতে
নাহৰ নাহৰ চিকুন
ৰাস্তাটোৰ কাষতে
আছিল নৈশ ভলীবলৰ
মায়াবিনী ঠাই টুকুৰা
এতিয়া নাই
আঁতৰি গ'ল
এটা লাহ দিয়া বেলিৰ দৰে
তোমাৰ চোতালৰ
একাঁজলি স্মৃতিহে

জোনাকৰ বৰষুণত
তিতি তিতি আমি
উকিয়াইছিলো আমাৰ দলৰ বাবে
এফালে ৰাণাদা বা চিন্ময়দা
আনফালে বাম তজো
সেয়া যেন ভলীবল নহয়
অদৃশ্য হাতৰ মায়াসনা যাদু

সেয়াতো স্মৃতি নহয়
সেয়াতো স্মৃতি নহয়
হৃদয়ত কঢ়িয়াই ফুৰা
হিৰণময়ী সঁফুৰা, অশ্রু অঞ্জলা

খন্তেকৰ বাবে
প্ৰাত্যহিক জীৱনত তলা লগাই
ঢপলিয়াই আহিছোঁ মই
মাথো দুটা দিন, মাথো দুটা দিন
তোমাৰ কোলাত মূৰ গুজি
উচুপি উঠিম, তুমি সানি দিবা
সবাক ওঁঠৰ তপত চুমা
ভাস্বত হ'ব গালে মুখে
আবিৰ, আবিৰ আৰু আবিৰ
পাৰিজাত -অলকানন্দা

অ' মোৰ সেউজৰ বসুন্ধৰা
তুমি মোৰ বাবে এটা
সাথঁৰ হেন দীঘল কবিতা
তোমাৰ ওঁঠৰ বাংময়তাত
ডুব যায়
মোৰ দুকুৰি দুটা নিসংগতা
যি নিসংগতাত নীল পৰনে আঁকে
বুজা নুবুজা অলেখ কথা

তুমি মোক কি দিব পাৰা বাংময়তা
যি বাংময়তাত ডুব যাব মোৰ
আজন্ম নিসংগতা
দিবানে, দিবানে তুমি মোৰ ওঁঠৰ ভাষা
মোৰ প্ৰেম মোৰ সেউজীয়া

চোৰা না
এয়া কোন
মোৰ স্মৃতিৰ অনন্যা
ইছ্ ৰাম
তুমি ইমান শকত হ'লা

হেই ব্র'
তুমিচোন একেই আছা
যিদৰে আছে
চেণ্ট্ৰেল লাইব্ৰেৰীৰ নীৰৱতা

আচলতে কি জানা
এটা চমু বাট বিচাৰি
মই তোমাৰ ওচৰ পাওঁ
অথচ বাটতো দীঘল হৈ গৈ থাকে
নিৰুত্তাপ সময়ে
হেচুঁকি হেচুঁকি দূৰ দূৰলৈ
ঠেলি পঠিয়াই
সেমেকা চকুৰ বিদায় ক্ষণ
মই কিদৰে বিদায় লওঁ
তোমাৰ পৰা
'তোমাৰ পৰা মোলৈ
উভতি আহিবলৈ লাগে বহু পৰ'

এটা কাম কৰোঁ দিয়া
তোমাৰ ওচৰলৈ আহিলোৱে যেতিয়া
গিলাচত গিলাচৰ খুন্দা লগাই
সম্পৰ্কহীন সম্পৰ্ক এটাৰ পাতনি মেলো
কঁকালত কঁকাল লগাই নাচো
এপাক দুপাক
সাৰ পাই উঠক
মোৰ আপোন পৃথিৱী

বজাই দিয়া
হে' মোৰ সতীৰ্থ প্ৰিয়জন
বজাই দিয়া
নাহৰৰ তলত, সোণাৰুৰ মাজত
ঢোল পেঁপা গগনা

আমি আহিলোঁ
অ' মোৰ সেউজৰ বসুন্ধৰা

গিলাচত গিলাচৰ খুন্দা লগাই
মদিৰাৰে পান কৰোঁ সময়
কঁকালত কঁকাল লগাই
নাচো এপাক দুপাক।

# এগ্ৰিয়ান

**— অঞ্জন কৃষ্ণ শৰ্মা**

আকাশৰ পৰা অলপ নীলা
বতাহৰ পৰা অলপ গতি
সূৰ্যৰ পৰা অলপ উত্তাপ
জোনৰ পৰা অলপ শীতলতা
ভূমিৰ পৰা অলপ সহনশীলতা
শস্যৰ পৰা অলপ সেউজীয়া
সাগৰৰ পৰা অলপ ঢৌ
নদীৰ পৰা অলপ সোঁত
আৰু চৰাইৰ পৰা অলপ
উৎসাহৰ সংমিশ্ৰণত
ঈশ্বৰে স্ৰজিলে
অলপ মানুহ
যাৰ
হৃদয় বিশাল
অনুভূতিপ্ৰৱন
আৱেগপ্ৰৱন
যি ভাল পায়
গাঢ় সেউজীয়া
আৰু মানুহ
আৰু মানুহ
যাৰ দুচকুত
সপোন আৰু সপোন

যি বুকুত লৈ ফুৰে
প্ৰিয় পঢ়াশালিখন
আৰু সমনীয়া
সহপাঠীসমূহ
যি সিঁচি ফুৰে
অব্যৰ্থ বীজ
প্ৰেম আৰু ভাতৃত্ববোধৰ
ঘূৰি ফুৰে অৰণ্ডে দৰণ্ডে
কান্ধত লৈ এটি
সেউজীয়া মোনা
বিচাৰিলেই
যি উলিয়াই দিয়ে
অলপ উৎসাহ
অলপ প্ৰেৰণা
অলপ সাহস
অলপ সাহচৰ্য
আৰু পৰ্যাপ্ত সহায়
নাম তেওঁৰ এগ্ৰিয়ান!
হে এগ্ৰিয়ান
তোমাক নমস্কাৰ!

## ঘৰখনলৈ আহিম বুলিয়েই

— অনিৰুদ্ধ ডেকা

ঘৰখনলৈ আহিম বুলিয়েই
বাটচ'ৰাতে নাহৰবোৰ ৰৈ থাকিব।
বৰভেটা চাপৰিৰ সেউজ চৌহদত
পৰেনে ডাঠ কুঁৱলী?
মাছমৰীয়া গাভৰুজাকে
জাকৈ মাৰেনে কেতিয়াবা
চৌহদৰ পুখুৰীত?
যৌৱনৰ তেজাল ঘোঁৰাৰ কদমত
উঠেনে জাগি কাঞ্চননগৰ?
আৰু
অধ্যয়নব্ৰতী সৌজাক অগ্ৰজৰ
ৱেষ্টাৰ্ণ গেলেৰী বা ষ্ট্ৰিট লাইটৰ তলত
সেউজৰ কমাৰশালত
জীৱন গঢ়াৰ কতযে অনুশীলনী!
এটি প্ৰেমৰ পদ্যৰ দৰে
আৰু অলেখ মিঠা আৰু সুমধুৰ
সোঁৱৰণী!
গ্ৰীষ্মৰ দুপৰৰ শীতল শেতেলিত
কিম্বা শীতৰ জোনাকী নিশাৰ
নিয়ৰৰ সেমেকা পৰশত
সঘনে উভতি হেৰাই যাওঁ
শাৰী শাৰী নাহৰৰ স্মৃতিৰ জগতলৈ।
কুশলে আছেনে সকলো?
ঘৰখনলৈ এবাৰ যাম বুলিয়েই
আলিবাটত ৰৈ থাকিব সতীৰ্থ
পখিলা খেদি ফুৰিম আকৌ এবাৰ
বৰভেটা চাপৰিৰ
সেউজ চৌহদত।

# হৃদয়ৰ টান

— ডুলুমণি দাস

হৃদয়ত জোনাক নামিছে
স্মৃতিৰ জোলোঙাখন লৈ
এৰা, তগবগী যৌৱনৰ
চাৰিটা বসন্ত জানো কম সময় ?
মাজত মাথো দুটা দিন
সেউজীয়াত মগ্ন হ'ব
লগ হ'ব সকলো
জেষ্ঠ্য, কনিষ্ঠ, বন্ধু
মাঘৰ শেষত
ফাগুনৰ বতৰা লৈ।
পলাশৰঙী হেঁপাহবোৰ
জীপাল হৈ উঠিব
সেউজ বাকৰি
হাঁহিৰে ৰজনজনাই যাব
শেষ নোহোৱা কথাৰে
দিন-ৰাতি একাকাৰ হ'ব।
ট্ৰাই এংগ'ল, আইডিএ বিল্ডিং,
প্লাজা, অ'ডিটৰিয়াম,
কিম্বা হোষ্টেলবোৰত
খদমদম লাগিব
এৰি যোৱা দিনৰ
সুবাস বিচাৰি
কিজানি পায়েই তাত
প্ৰেম-অপ্ৰেমৰ অকথিত গাঁথা,
তেজত এতিয়া যে
এহেজাৰ ৰণুৱা ঘোঁৰাৰ
দলদোপ হেন্দোলদোপ
হৃদয়ৰ আজন্ম টানত।

# তুমি আহিবা বুলি

**— মনোজ কুমাৰ শৰ্মা**

তুমি আহিবা বুলি
নানাৰঙী জাক জাক চৰাইৰ কলৰবত
সেউজী চৌহদে
দোকমোকালিতে সাৰ পাই উঠে
নাহৰৰ পাতবোৰে
আবেলিৰ বতাহৰ সৈতে মিতিৰালি কৰি
তোমাৰ কথাবোৰে সোঁৱৰে

তুমি আহিবা বুলি
পুখুৰীৰ পাৰৰ লানি লানি দেবদাৰুবোৰে
ওৰণিখন বেছিকৈ মুৰলৈ টানি
তোমাৰ পৰশলৈ উদ্বাউল হৈ ৰয়
আই চি আৰ ফাৰ্মৰ সৰিয়হৰ লানিবোৰে
হালধীয়াবোৰ বুকুত বান্ধি আশাৰে বাট চাই

তুমি আহিবা বুলি
শীতৰ কুঁৱলি ফালি
এটি কলি দুটি পাতেৰে সপোন ৰচা
চাহবাগিছাবোৰ আগতীয়াকৈ উজ্জীৱিত হয়

তুমি আহিবা বুলি
কেণ্টিনৰ বাৰাণ্ডাৰ চকীবোৰে
তোমাৰ আড্ডাৰ ৰসবোৰ পাগুলিয়াই পাগুলিয়াই
অকলে হাঁহি হাঁহি বাগৰি পৰে
প্ৰেক্ষাগৃহৰ ৰংগমঞ্চত পুৰণি সুৰবোৰ আকৌ জমি উঠে
লাইব্ৰেৰীৰ থাক থাক কিতাপবোৰৰ
মাজৰ জলঙাৰে জ্ঞানৰ ৰশ্মিবোৰ উদ্ভাসিত হৈ পৰে

তুমি আহিবা বুলি
হোষ্টেলৰ নঙলাৰ নিয়ৰসিক্ত সুবাসিত ফুলবোৰে
উলাহতে হাউলি পৰে
পুৰণি কোঠাৰ নতুন ৰঙবোৰৰ মাজে মাজে

তোমাৰ যৌৱনদীপ্ত সময়ৰ ৰেখাবোৰ
আকৌ প্ৰাণ পাই  জিলিকি উঠে

তুমি আহিবা বুলি
তোমাৰ পেৰেডৰ শৃংখলাবদ্ধ খোজবোৰৰ
তোমাৰ দুৰ্দান্ত বলিঙৰ অভাৰবোৰৰ
তোমাৰ অপ্ৰতিৰোধ্য বেটিঙৰ ইনিংছবোৰৰ
তোমাৰ ভৰিৰ কৌশলী নিশ্চিত শ্বটবোৰৰ
তোমাৰ হাতৰ ভলীবলৰ স্মাশ্বিঙবোৰৰ
সমৰ্থনত গিজগিজাই উঠা হাতচাপৰিবোৰৰ প্ৰতিধ্বনিৰে বিশাল খেলপথাৰখন
আকৌ উত্তেজিত হৈ পৰে

তুমি আহিবা বুলি
বয়বস্তুৰ ভৰত
বিপণীৰ দোকানবোৰ ভেমতে ওফন্দি উঠে
তুমি আহি এবাৰ চুই দিলেই
যেনিবা সকলো স্বাভাবিক হ'বগৈ পাৰে

তুমি আহিবা বুলি
বৰুৱা চাৰিআলিত দিবা-নৈশ বাছসমূহৰ হৈ-চৈ শুনি
সমগ্ৰ যোৰহাট উজাগৰে থাকে
গড়আলি- গীতাৰ্থী চুক-বৰভেটা-ভাৰছিটিৰ
বাছ আস্থানবোৰত
হঠাতে ব্যস্ততা বাঢ়ে

তুমি আহিবা বুলি
আই ডি এ বিল্ডিংটো, জিমখানা, বিভাগীয় শ্ৰেণীকোঠা, পৰীক্ষাগাৰবোৰে
চমক দিবলৈ নতুন ৰূপ লয়
শ্বহীদবেদীৰ অক্ষয় বন্তিগছিয়েও
আৱেগৰ ভৰত বিহ্বল হয়

সেয়েহে
তুমি কথা দিয়া
সেউজ চৌহদৰ আহ্বান শুনি
মাত্ৰ দুদিনলৈ বুলি।

# বহুদিন একেলগে

**- শৈলেন গগৈ**

বহুদিন একেলগে গান গোৱা নাই
বহুদিন একেলগে নাচ নচা নাই
কেণ্টিনৰ সন্মুখত বহি
বহুদিন মুকলিকৈ
চিঞৰ মৰা নাই
বহুদিন একেলগে গান গোৱা নাই
বহুদিন একেলগে নাচ নচা নাই

কেণ্টিনৰ কথা ক'লে
বহুতো চিনাকি মুখ
চকুৰ আগেদি ভাঁহি যায়...
কেণ্টিনৰ কথা ক'লে
বহুতো চিনাকি মুখ
চকুৰ আগেদি ভাঁহি যায়...

খানদাৰ খানচ্ আপ্
শুকান ৰুটি জাপ জাপ
কেণ্টিনেই দিয়ে সোঁৱৰাই
আজি তাৰ ছবি যেন
চকুত উজলি মোৰ
আজি তাৰ ছবি যেন
চকুত উজলি মোৰ
থিতাতে লুকায় ...
বহুদিন প্লাজাৰ ষ্টেপত বহা নাই...

এথুপা নাহৰ ফুল
আঙুলি ফাঁকেৰে মোৰ
সৰি সৰি গ'ল
নাহৰে আতুল কৰা
দিনৰ সুৰভি মোৰ
মাথোঁ সোঁৱৰণী হৈয়ে ৰ'ল ...
এলুমিনি মীটতে
মিলিজুলি সকলোৰে
এলুমিনি মীটতে
মিলিজুলি সকলোৰে
মন কোমলাম...
বহুদিন হোষ্টেলটোলৈ যোৱা হোৱা নাই
বহুদিন  লাইব্ৰেৰীটো কিতাপ পঢ়া নাই
প্লাজাৰ ষ্টেপত বহি
বহুদিন ছোৱালীবোৰক
জোকোৱা হোৱা নাই
বহুদিন পি চি পিৰ ফীল্ডলৈ যোৱা নাই
বহুদিন অ'ডিটৰিয়ামটোও ভালকৈ দেখা নাই ।

(কথা-কৱিতা)

# সেউজ চৌহদৰ এগ্ৰিয়ান

**— সমীৰণ ভট্টাচাৰ্য**

তুমি সেউজ চৌহদৰ এগ্ৰিয়ান নেকি?
না না...
তুমি সেউজ চৌহদৰ এগ্ৰিয়ান হয় নে নহয়
নিজকে সুধি চোৱা চোন।
এবাৰ, মাথোঁ এবাৰ সোধা।।

যদি তুমি সেউজ চৌহদৰ Triangle কি নাজানা,
তেন্তে তুমি সেউজ চৌহদৰ এগ্ৰিয়ান নোহোৱা।

সেউজ চৌহদৰ বিখ্যাত নাইট ভলীবল যদি চোৱা নাই,
১১ বনাম ১২ হোষ্টেলৰ উত্তেজনাময় খেলত
যদি এটাও উঁকি মৰা নাই,
তেন্তে তুমি সেউজ চৌহদৰ এগ্ৰিয়ান নোহোৱা।

কেণ্টিনৰ বাকৰিত খেজুৰৰ তলত বহি
যদি চাহৰ আড্ডা দিয়া নাই,
কোনো ষোড়শীক যদি ধেমেলীয়া
বাক্যবানেৰে থকাসৰকা কৰা নাই,
তেন্তে তুমি সেউজ চৌহদৰ এগ্ৰিয়ান নোহোৱা।

PCP ৰ পথাৰত যদি Senior ক Help কৰা নাই বা
পিছত নিজে Junior ৰ Help লোৱা নাই,
তেন্তে তুমি সেউজ চৌহদৰ এগ্ৰিয়ান নোহোৱা।

নৈশ চকীদাৰৰ চকুত ধূলি দি বা তেওঁৰে টৰ্চ লৈ
গছত উঠি মাজনিশা লিচু চুৰ কৰি খোৱা নাই,
তেন্তে তুমি সেউজ চৌহদৰ এগ্ৰিয়ান নোহোৱা।

সেউজ চৌহদৰ প্ৰাণ Auditorium ত একাংকিকা,
skit চাই যদি বিভোৰ হোৱা নাই,
Fourth Year Nite, College Week Function ত
যদি ৰেল চলাই উকি মৰা নাই,
তেন্তে তুমি সেউজ চৌহদৰ এগ্ৰিয়ান নোহোৱা।

সেউজ চৌহদৰ পুখুৰীত ৰাতি বৰশী পাতি
চুৰকৈ মাছ ধৰি Special খোৱা নাই,
তেন্তে তুমি সেউজ চৌহদৰ এগ্ৰিয়ান নোহোৱা।

পৰীক্ষাৰ দিনা IDA building ৰ সন্মূখলৈকে
যদি Notebook পঢ়ি যোৱা নাই,
One Night Service যদি চিনি নোপোৱা,
তেন্তে তুমি সেউজ চৌহদৰ এগ্ৰিয়ান নোহোৱা।

Hostel ৰ পিকনিকত ১১-১২ হোষ্টেলৰ সন্মুখেদি
মাজনিশা বাছৰ ওপৰত উঠি চিঞৰা নাই,
তেন্তে তুমি সেউজ চৌহদৰ এগ্ৰিয়ান নোহোৱা।

31st December ৰ মাতাল মাজনিশা নতুন বছৰক
আদৰি ১২ নং হোষ্টেলৰ wall বগাই
New Year wish যদি কৰা নাই,
তেন্তে তুমি সেউজ চৌহদৰ এগ্ৰিয়ান নোহোৱা।

বিপণী, ICR farm, Orchard, Sausage tree,
Library back volume etc etc যদি দেখা নাই,
তেন্তে তুমি সেউজ চৌহদৰ এগ্ৰিয়ান নোহোৱা।

Birthday- great bath, Rapid-fire,
Common room freshers, Hamla, Poxy.. Current গ'লে
বা  পানী নাথাকিলে exam cancellation ৰ চিঞৰ
ইত্যাদি ইত্যাদি বোৰ যদি নাজানা,
তেন্তে তুমি সেউজ চৌহদৰ এগ্ৰিয়ান নোহোৱা।

## শৰতৰ নিৰ্মলতা

— অজিত বৈশ্য

সৌৰা চোৰা, শৰতৰ নিৰ্মল আকাশত
জোৎস্না ধৌত স্নিগ্ধ সন্ধিয়া
জোনবায়ে তৰালী জাকৰ লগত
উমলি জামলি ধেমালি কৰিছে!

ৰাতিপুৱা কুঁৱলীৰ বগা
আচ্ছাদন ভেদ কৰি
সূৰ্য দেৱতাই যেন
মিচিকিয়াই হাঁহিছে!

দুবৰী জোপাক
আকোঁৱালি লৈ
নিয়ৰৰ টোপালবোৰে
ধেমালি কৰিছে

প্ৰকৃতিৰ এই নিস্পাপ
সৌন্দৰ্যক চৰাইজাকে
কিৰিলি পাৰি
সম্ভাষন জনাইছে !

মোৰ মনটোও যেন
উগুল-থুগুল
থৌকি-বাথৌ ;
মুক্ত বিহংগৰ দৰে
নীল আকাশৰ বুকুত
সাঁতুৰি নাদুৰী ফুৰিবৰ মন !

শেৱালী জোপাই
ফুলবোৰ সিঁচি দিছে
দুৰৱী দৰাত
সুগন্ধি বিলাই বিলাই
সকলো ফালে
খেলি-মেলি লগাই মনবোৰ
স্বৰ্গীয় পৰিৱেশত !

# গণতন্ত্ৰৰ বিকলাংগ স্তম্ভঃ অনুভৱ

**— আবু চুফিয়ান**

গছজোপাৰ বয়স চাৰে তিনিকুৰি
ৰোপণ কৰা মনিষীসকলে মাত্ৰ চাৰিখিলা
পাতেৰে আটোমটোকাৰীকৈ আপডাল কৰিলে
সেউজীয়া পাতকেইখিলাৰ বৈশিষ্ট্য বেলেগ বেলেগ
কামকাজ, ক্ষমতাৰ মাজতেই সমতা ।

সময়ৰ ধামখুমীয়াত দুখিলা পাতে
সলালে বৰণ ক্ষমতাৰ লোভত
আন দুখিলা ক্ৰমে পত্ৰহৰিৎ হেৰালে
লুভীয়া দুখিলাৰ ইৰ্ষান্বিত ছাঁৰ যাতনাত ।

এখিলাক ক্ষমতা লাগে
আনখিলাক ধন আৰু ঐশ্বৰ্য
ক্ষমতাই ধন দিয়ে
ঐশ্বৰ্যই ক্ষমতা বন্ধকত দিয়ে
চুক্তিমতে সেউজীয়া হালধীয়া হৈ পৰে ।

ঐশ্বৰ্যই ঈশ্বৰত্বৰ ভাব দিয়ে
সঁচাক মিছা আৰু
মিছাক সঁচাৰ দম্ভালিৰে
ধনঘটে, মনিষীক উলংগ কৰে ।

ধনৰ আশাত ৰঙচুৰা ক্ষমতাৰ
হাতৰ পুতলা হৈ হালধীয়া এদিন
ৰঙা হৈ পৰে,
নিজেই তদন্ত কৰে
বিচাৰো নিজৰ কাঠগড়াত
এনেদৰেই চাৰিখিলা পাত
তিনিখিলা হয়
ঐশ্বৰ্য আৰু ক্ষমতা একাকাৰ হয় ।

ন্যায়ৰ পাতখিলা সোলোক-ঢোলোক হয়
চাৰে তিনিকুৰি বছৰতে
অমৃতৰ নামত বিষ পান কৰি
সমতা, উন্নয়ন, প্ৰগতি, ন্যায়-নীতিৰ
ইপ্সিত বটবৃক্ষ নামৰ গণতন্ত্ৰ এদিন
ভেণ্টিলেচনত সোমায় !

# স্মৃতিৰ অনুভূতি

— **ভদ্ৰ কুমাৰ বৰা**

পিত্‌পিতাই বিচাৰি ফুৰিছোঁ
কলেজ কেম্পাছত এৰি অহা
সোণালী যৌৱন
কেণ্টিনৰ বাৰান্দাৰ খটখটিত বহি
ৰসাল আড্ডা, অস্থিৰ চকু
সন্মুখেদি উৰি যায় এজাক পখিলা
সুহুৰিত ফুলনি কঁপে
খিল্ খিল্ জবা, ৰজনীগন্ধা ।
ঘোঁৰাৰ কদমত নাচি নাচি চুলিয়ে মাতে
আমোলমোল সুগন্ধ বিয়পাই ।

পিতপিতাই বিচাৰি ফুৰিছোঁ
কলেজ কেম্পাছত এৰি অহা
সেই সোণালী অনুভৱ
লাইব্ৰেৰী, অডিটৰিয়াম আৰু শ্ৰেণীকোঠাৰ
ভিতৰে বাহিৰে ।

হোষ্টেল উদুলি-মুদলি
পাৰ ভঙা উচাহত
জাকে জাকে বাটে বাটে
হাঁহিৰ গিৰিজনি;
সেয়া নৱাগত আদৰণি
অথবা
কলেজ সপ্তাহৰ ৰঙীন আবেলি ।
বন্ধু, তোৰ উদাত্ত ভাষণ,
তাইৰ মৰম সনা অভিনয়, গীত নৃত্যবোৰ
খেলপথাৰৰ দুৰ্দান্ত স্মেচ
হাত চাপৰি কিৰিলিৰ উত্তেজনাবোৰ
মই আজিও পাহৰিব পৰা নাই ।
পিত্‌পিতাই বিচাৰি ফুৰিছোঁ
কলেজ কেম্পাছত এৰি অহা
মিঠা মিঠা সোণালী যৌৱন !

## এৰাবাটৰ সুগন্ধি

**— গৌতম কুমাৰ শইকীয়া**

হু হু কৈ বৈ থকা
অকৃবিৰ বতাহজাকে
কৈ গ'ল কাণে কাণে...
'ইয়ালৈ এজাক
ডেকা-গাভৰু আহিব,
পথাৰতে বহাব মেলা'

গাভৰুৰ খিলখিলনি
প্ৰতিধ্বনি হৈ
আই ডি এ বিল্ডিঙত
মিলিব পুখুৰীৰ পাৰত

ডেকা-ডেকেৰীৰ চিঞৰত
সাৰ পাব পথবোৰে,
গান-নাচ-আড্ডাৰে
ৰ'দালি ৰঙালী হ'ব
আৰু
উজুটি খায়ো
ঢপলীয়াই আহিব
এৰি অহা দিনবোৰে ...

ফাগুন নামি আহিব অকৃবিলৈ

সিৰসিৰিয়া চেঁচা বতাহজাকত
বৈ থাকিব এটি পুৰণি সুগন্ধি
বহুদিনলৈ....
হৃদয়ৰ পৰা হৃদয়লৈ...

# স্মৃতিৰ বাকৰিত

**— কিশোৰ কুমাৰ শৰ্মা**

বহুদিনৰ পিছত আহিবা বন্ধু
সেউজীয়া চৌহদলৈ।
বিচাৰিব জানিলে ইয়াত
দেখা পাবা তোমাৰ খোজ।
খোদিত হৈ আছে এতিয়াও
পুখুৰীৰ পাৰে পাৰে
কেণ্টিনৰ টেবুলে টেবুলে
তুমি পাৰ কৰা সময়ৰ স্মৃতি
চাই যোৱা এবাৰ
তুমি আকি যোৱা ছবিখন
এগ্ৰ'নমীৰ পথাৰত নতুবা
পেথ'লজীৰ গৱেষণাগাৰত
হয়তো আছে তোমাৰ স্মৃতি
হৰ্টিকালছাৰৰ অৰ্ছাদট।
তোমাৰ হোষ্টেলৰ
কোঠাতোত শুনিবলৈ পাবা
বহুতো বাসিন্দাৰ
অপ্ৰকাশিত প্ৰেমৰ গোপন কথা ,
নতুবা বহুতৰ হৃদয়
আলোড়িত কৰা নবুজা ভাষা।
মনৰ কোঠাত দেখা পাবা
আই ডি এ শ্ৰেণীকোঠাৰ
ব্লেকবৰ্ড, দীঘল দীঘল
বেঞ্চ আৰু ডেস্কত
লিখি ৰখা অবুজ ভাষা।
বন্ধু! মৰমৰ নৈ খন
আকৌ বোৱাই আনা
লুইতৰ ঢলৰ দৰে।
প্ৰেমৰ বতাহখিনিও
মৃদুকৈ বলিবলৈ দিবা
ফাগুন মাহত
সেউজীয়া চৌহদত।

# ঘৰলৈ মইও যাম–

**— উৎপল কুমাৰ বৰা**

আশা কৰি আছোঁ
মইও যাম ঘৰলৈ বুলি
দুদিন মিলিবলৈ বুলি
সকলোৰে সৈতে ।
ৰোমন্থন কৰিম যৌবনৰ সুদীৰ্ঘ
আঠোটা বছৰৰ (১৯৭৯-৮৭)
সুখ, দুখ, হাঁহি, আনন্দৰ স্মৃতি।
ন-পুৰণি বন্ধু-বান্ধৱীসকলক
লগ পাম লগতে শিক্ষাগুৰুসকলক ।
ভাবিলেই লাগে ভাল।
মইও যাম ঘৰলৈ বুলি
স্মৰণ কৰিম প্ৰয়াত শিক্ষাগুৰুৰ
লগতে বন্ধু-বান্ধৱীসকলক
যিসকলে দিছিল
জীৱনৰ নতুন গতি
দেখা পাম গুৰুদায়িত্বৰে
গহীন মুখৰ সহপাঠী, অনুজ তথা
অগ্ৰজৰ নিৰ্মল হাঁহিভৰা মুখ।
ঘৰৰ পৰা আঁতৰি হোষ্টেলত
থাকি পঢ়াসকলৰ বাবে
তুমিয়েই আছিলা আমাৰ
দ্বিতীয় ঘৰ,নিৰাপদ আশ্ৰয়স্থল ।

তোমাক পাহৰা জানো সম্ভৱ?
তুমিয়েই দিছিলা আমাক
কাৰিকৰী শিক্ষা,জীৱিকা আৰু
কাৰোবাৰ বাবে হয়তু জীৱনসংগীও ।
আমাৰ নাম, যশ,পৰিচয়
সকলো তোমাক লৈয়ে।
মইও যাম ঘৰলৈ বুলি
মিছা অজুহাত নেদেখুৱাও
হোষ্টেলৰ নিজে থকা ৰুমটো
বিচাৰি যাম,ফটো উঠাম
কেণ্টিনৰ বাহিৰত বহি চাহ খাম
আদ্দা দিম,বিপণীত গৈ পুৰণা স্মৃতি ৰোমন্থণ কৰিম
নিজৰ বিভাগলৈ,ফিল্ডলৈ যাম
মুঠতে দুদিন সকলো এৰি
অহা দিনবিলাক বিছাৰি চাম
আহক সকলোৰে দুদিনৰ বাবে
‘সকলো বাদ দি
নিজকে এৰি দিবলৈ
পুৰণি বন্ধু বান্ধৱীক লগ দিবলৈ’
অতীতৰ স্মৃতি ৰোমন্থণ কৰিবলৈ....... আহিব দেই।

# তুমি আশীৰ দশকৰ এগ্ৰিয়ান

(মিত-ভাষ)

— **ৰিজু নাথ শৰ্মা**

তোমাক চিনি পাইছো মই, তুমি আশীৰ দশকৰ এগ্ৰিয়ান
সেইদিনা তুমিয়েইটো শনিবাৰৰ 'ফ্ৰীইভিনিং'লৈ গৈছিলা
তুমিয়েই তিনিবজাৰ প্ৰথম টিপত যাবলৈ
সেউজীয়া গাড়ীখনত 'কণ্ডাক্টৰ' হৈছিলা
শনিবাৰ আহিব বুলি তুমি প্ৰতিদিনে দিন
হিচাব কৰিছিলা
চাৰি বজাত কলেজৰ পৰা
হোষ্টেললৈ কিয় বেগাই আহিছিলা
এক বজাত দুই, এক, পাঁচ, ছয়, সাত নম্বৰ পাৰ হ'বলৈ
গাৰ্হস্থ্য বিজ্ঞানৰ বগা কাপোৰ পিন্ধা
সৰস্বতী জাকক তুমি কি কৈছিলা
'কেনি যাওঁ গোপাল কেনি যাওঁ কৃপাল'
তুমি সেউজীয়া পৰ্দাত মুখ লুকুৱাইছিলা
তোমাৰ খিৰিকীৰ পৰা অহা উকি
পূজাৰীদাৰ পান দোকানৰ পৰা শুনিছিলোঁ
সিদিনা এজনীয়ে যে হোষ্টেললৈ খেদি আহোঁতে
তোমাৰ চিঞৰত হেমকাইৰ কাঁহী থানবান হৈছিল
তিনি নম্বৰত কোনে চিঞৰিছিল, সাত নম্বৰত 'চুকেন'
বুলি চিঞৰাজন তুমিয়েই নোহোৱানে মোৰ সহোদৰ
কাঞ্চন নগৰ, সোণাৰীগাওঁ, ৰৰৈয়া, নেফাবাৰী,
জামুগুৰী, বাঘ চোং, বালেশ্বৰৰ দোকান
বিপনীৰ কটকী দা
আজি উকা আবেলি হৈ ৰ'ব
লগে ভাগে মেটিনি চোৱা সকল গ'লেই
ভোলা কাই, হাফিজ কাই, হেম কাই,
নুৰহঁত আজি হোষ্টেলত নাই

ধুতি পিন্ধা ঠাকুৰদা আজি নীলা চোলা পিন্ধি কলৈ বা যায়
নীৰৱ শাৰী শাৰী নাহৰ
চঞ্চলা প্ৰেমৰ আবেলি
ইলীতনো কি চিনেমাৰ ভিৰ ‘মেইনে  পিয়াৰ কিয়া’
টিকট লাইনৰ আগত চাৰি নম্বৰৰ বাহুবলী শইকীয়া
মোগলাই পৰঠাৰ জুতি লোৱাজন তোমাৰেই ‘ৰূম মেট’
পাহৰিলাইনে প্ৰায়ে সন্ধিয়া যে কাঞ্চন নগৰলৈ গৈছিলা
চেন্দেল নোখোলাকৈ জহৰ দিনত
কেম্পাচত ডাব নাৰিকল চিঙিছিলা
গৰমৰ দিনৰ নিশা খালী দেহাৰে ৰহমানৰ কেণ্টিনত
চিঞৰা জন কোন আছিল কোন আছিল
লাইন নোহোৱাৰ সুযোগত তুমি বাৰু কি উত্তৰ দিছিলা
ছোৱালীহঁতৰ হাঁহি শুনা নাছিলানে চাৰি আৰু তিনি নম্বৰৰ পৰা
তুমি ৰিহাবাৰীৰ বিশাল দাস নোহোৱা নে
তুমি জালুকনিবাৰী, বৰহোলাৰ
এন এচ এচ কেম্পৰ কথা কোৱা চোন
তোমাৰ মনত আছেনে প্ৰিয় ‘লাল’ ছাৰৰ কথা
ৰাতি সাজি থোৱা বাতিৰ মাংস কোনে খেপিয়াই ফুৰিছিল
তোমালোকৰ হোষ্টেলৰ নাছিল জানো সাধু ওৱাৰ্ডেন ছাৰ জন
আন্ধাৰ হ’লে চিঞৰা জন চাৰি নে
তিনি নম্বৰৰ মনত পৰেনে তুমি কি কৈছিলা
ছাৰে বাৰু শুনি শুনি মিচিকিয়াই হাঁহিছিল কিজানি
‘গগৈ’ৰ দোকানৰ পৰা কি বেনামী বিস্কুট আনিব যাওঁতে
কোন কেইজনী বাইদেউৰ গাল ৰঙা পৰিছিল ফাৰ্ষ্টইয়েৰ তুমি
নিজৰ মুখ চুই চোৱা
মোছ নোহোৱা মুখৰ ফাৰ্ষ্টইয়েৰ
মনত পেলোৱা তোমাৰ ৰেজিষ্ট্ৰেচন নম্বৰ
গগৈয়ে কিয় বাৰু মুখ ঘুৰাইছিল
জীৱন গঢ়িবলৈ অহা প্ৰতিভাৰ তুমি দাবীদাৰ
ইৰাণ নে আফ্ৰিকাৰ, কেৰেলা নে বিহাৰৰ

নগালেণ্ড নে মিজোৰামৰ
শিৱসাগৰ নে শদিয়াৰ
ধুবুৰী নে ধেমাজিৰ
নগাওঁ নে নলবাৰী নে বৰপেটাৰ
যি ঠাইৰে নোহোৱা মোৰ সহোদৰ
ইলি, অজন্তা, প্ৰভৰাজে মাতিছে তোমাক
এবাৰ যাওঁগৈ ব'লা জিপাল কৰো জেইল- ৰোড
বৰভেটাই মাতিছে তোমাক
মনত পেলাইছে এম চি দাস অডিটৰিয়ামে
বিশাল গৱেষণা পথাৰে
ফ্ৰী ইভিনিং আজিলৈ তোমাক নমস্কাৰ
কালিলৈ আহিব দেওবাৰ
সোমবাৰে আছে 'বায়োকেমেষ্ট্ৰি'ৰ
চাৰিক্ৰেডিট পৰীক্ষাৰ পুৰস্কাৰ।

# ঠিক এনেকৈয়ে এদিন

'মাটিৰ মোহ পৰিত্যাগ কৰি পৰলোকগমন কৰা সকলো এগ্ৰিয়ানৰ স্মৃতিত'

**— বিপুল ডেকা**

ঠিক এনেকৈয়ে সকলো মানুহ এদিন
জপনা মেলি সোমাই পৰে পৃথিৱীৰ পদূলিত।
নদী, ঋতু নাইবা হিৰন্ময় পখিলা,
সকলোৰে আলিংগন কৰি সোধে কুশল-বতৰা।
তৰাবোৰে ভীৰ কৰে,
ভীৰ কৰে ৰ'দ আৰু জোনাকবোৰে।
এন্ধাৰ, ৰাতি আৰু দুৰ্জয় ধুমুহা,
অথবা প্ৰোজ্জ্বল প্ৰভাত আৰু ৰামধেনুবোৰে
ফুলেৰে ওপচাই দিয়ে কোমল মুখ,
আকাশৰ সকলো নক্ষত্ৰই বুকুত সাজি দিয়ে প্ৰেমৰ সুগন্ধি মণিকূট।

চৰাই, পথাৰ আৰু নিৰ্জন আবেলিবোৰে
মিচিকিয়াই হাঁহে।
গছ-লতিকা আৰু অমল জুৰিবোৰে
সকিয়াই কাণে-কাণে-
বতাহৰ স'তে কদাপি
খেলিবলৈই নাযাবা দেই তুমি!

ঠিক এনেকৈয়ে এদিন,
বতাহ বলিলেই লৰে তেজৰ প্ৰাসাদ
আৰু সৰি পৰে সংগোপনে
মানুহৰ শাশ্বত নিনাদ।

# ঘৰলৈ আহিবা ছাগে

— অঞ্জন কৃষ্ণ শৰ্মা

প্ৰিয় মানুহবোৰৰ
উমাল সান্নিধ্য বিচাৰি
চিনাকি পথাৰখনৰ
গোন্ধ ল'বলৈ
আপোন আপোন লগা
হোষ্টেলটো ,
অধিবিদ্যা  ভৱনৰ চিনাকী ডেক্স-বেঞ্চবোৰ
আকৌ এবাৰ চাবলৈ
আহিবা নিশ্চয় ঘৰলৈ

তুমি আহিবা বুলি
পদূলিটো চিকুণ কৰা হৈছে
এখন তোৰণ সাজি লিখা
হৈছে স্বাগতম হৃদয়ৰে ধুনীয়া এগ্ৰিয়ান বন্ধু

তুমি নাহিলে সেউজ চৌহদটো
নিজান হৈ থাকিব
তোমাৰ হাই-উৰুমি
হাঁহিভৰা উচ্ছাস
নহ'লে এই মিলন সমাৰোহ
উকা হৈ থাকিব
দুঃখিত হৈ থাকিব
তোমাৰ সান্নিধ্য প্ৰয়াসী
তৰুণ তৰুণী

বতাহত ভাঁহি আহিছে
উতনুৱা ফাগুনৰ ৰং
কৃষি মহাবিদ্যালয়ৰ
গছে গছে ফুলৰ শৰাই
কেৱল তোমাৰ বাবেই !

ঘৰলৈ আহিবা ছাগে ...

# হৃদয় সংবাদ

**— অঞ্জন কৃষ্ণ শৰ্মা**

নাহৰৰ পাতে পাতে
গৱেষণা পথাৰৰ
আলিয়ে আলিয়ে
পুখুৰীৰ পাৰে পাৰে
ৰেজিষ্টাৰ অফিচৰ
সমুখৰ ঘাঁহনি ডৰাত
অৰ্চাডৰ  গছবোৰত
আছে নেকি বাৰু
আপোনাৰ যৌৱনৰ
খোজবোৰ
উৎফুল্লিত হাঁহিবোৰ
আবেগৰ চকুলোবোৰ
উমলি জামলি!

পোষ্ট অফিচত
এবাৰ খবৰ কৰিব
কিজানি হোষ্টেলৰ
ঠিকনাত ৰৈ আছে
আপোনাৰ এখন চিঠি

বিপণীৰ ফালে
নিশ্চয় পাক এটা মাৰিব
সলনিৰ নিয়ম মানি
দোকানবোৰ পকী হ'ল
হঠাৎ পাই যাব পাৰে
তাত কোনোবা
পুৰণি চিনাকি!

পুৰণি মানুহবোৰ
নোহোৱা হ'ল
পুৰণি শিক্ষকসকলে
এজন এজনকৈ
অৱসৰ ল'লে
তেওঁলোকেও
আবেগেৰে
আপোনাক সাবটিব
বিচাৰে
সুধিব বিচাৰে

আপোনাৰ ঠিকনা
কেনে আছে
পৰিয়াল পৰিজন!

ভাইভা ৰুমৰ সেই
কঠোৰ শিক্ষকজন
এজন মৰমীয়াল
অভিভাৰকহৈ
ৰৈ আছে
আপোনালৈ
আশীৰ্বাদৰে ভৰপুৰ
এটি কোমল মনৰে!

হৃদয়ৰ সকলো
সংবাদ কেন্টিনৰ
খেজুৰ জোপাৰ তলত
নাইবা খেল পথাৰত
বা অডিটৰিয়ামত
বিনিময় কৰি
জীৱন জীপাল কৰিম
এই সেউজীয়া দেশত !

# তথাপিও, বৰষুণ তুমি

## — লোকেন দাস

মুম্বাইত প্ৰথম জাক বৰষুণ
তিতা মাটিৰ গোন্ধ,
প্ৰথম জাক বৰষুণৰ গোন্ধ।

মাদকতা....

মন উৰা মাৰে অসমলৈ,
কাহানিবাই বৰষুণত ভিজি ভিজি
স্কুলৰ পৰা অহা দিন!

বৰষুণ বুলি সেউজ চৌহদত
কেন্টিনৰ বাৰান্দাত বহি আদ্দা,
পকৰী আৰু ৰঙা চাহ...

আমেজ!

বৰষুণ,
আহিলেই ধৰাই ৰূপ সলাই,
জীৱনলেও ৰঙীন সময় আহিব বোলাৰ সময়বোৰ...

জীৱনৰ সোঁতত.....

তথাপি,
বৰষুণ
তুমি মতলীয়া কৰা!

# নষ্টালজিক মই নহয়

— পলাশ দেৱ নাথ

সেই একে সেউজ কেম্পাচ। একেই শাৰী শাৰী নাহৰৰ গছ।
তোমাৰ, মোৰ দৰে দেখো আন কোনোবা
ষোড়শী ডেকা গাভৰু নাহৰৰ তলে তলে।
নষ্টালজিক হোৱাৰ কোনো কাৰণ দেখা নাই মই।
আই ডি এ বিল্ডিঙৰ ক্লাচ, পৰীক্ষা হলত তুমি মই বহা ঠাইত
কোনোবা নতুন তৰুণ তৰুণী।
নষ্টালজিক হোৱাৰতো কোনো কাৰণ নাই।
কেণ্টিনৰ এটা চুকত বহি দুকাপ চাহ লৈ
পাৰ কৰা সময়বোৰ চোন কোনোবা নতুন এচাম ডেকা গাভৰুৱে পাৰ কৰিছে।
নষ্টালজিক হোৱাৰতো কোনো কাৰণ দেখা নাই এতিয়াও।
ইলি চিনেমা হলত হেঁচা ঠেলা কৰি টিকট লৈ
চিনেমা চোৱাৰ আমেজ চোন আজিৰ চাম
ডেকা গাভৰুৱে অনলাইন টিকট কৰি মাল্টিপ্লেক্সত চাইয়ে আছে।
নষ্টালজিক হোৱাৰ কোনো কাৰণ দেখা নাইচোন।
পিছে
82—A—.... বেটচৰ বন্ধুবোৰে বা ৰেজিষ্ট্ৰেচন কৰিলেনে নাই!
মনতো আজি অলপ নষ্টালজিক হৈ পৰিছে যেন লাগিছে।
80—A—; 81—A— ৰ দাদা বাইদেউ বোৰ,
83—A, 84—A মামুলী ফাষ্ট ইয়েৰ বুলি মাতা জুনিয়ৰ বোৰ বা আহিবনে নাই।
কিমান বছৰযে হল বহুতকে নোপোৱা।
মনতো বৰ নষ্টালজিক হৈ পৰিছে সকলোকে লগ পাবলৈ।
বহু দিনৰ পাচত লাচিত কী বৰ্ড খন ডাউনলোড কৰিছো।
অসমীয়াতে কিবা এটা লিখিম।
মই দেখোন বৰ নষ্টালজিক হৈ পৰিছো।
নষ্টালজিক হোৱাৰ বহু
কাৰণ দেখোন লিখাই নহল।

# আমি একেই আছো

**—মৌচম হাজৰিকা**

আমি দেখোন
সকলো একেই আছো!

মাতবোৰ, হাঁহিবোৰ, কথাবোৰ
কাৰ কাৰ হয়, বুজিব পাৰো।

মাথোঁ আমাৰ মাজৰে
কোনোবাই ছশমা লৈছে।

কোনোবাই চুলিত ক'লা ৰং ঘহিছে।
কাৰোবাৰ আগমূৰৰ চুলি নোহোৱা হৈছে।
কোনোবাই আকৌ চুলিত ৰূপালী ৰং লাগিছে বুলি গৰ্ব কৰিছে।

এনেকুৱা দুই এটা কথাৰ বাহিৰে
আমি দেখোন
সকলো একেই আছো!

আমাৰ ধেমালিবোৰ,
আমাৰ দুষ্ট ইংগিতবোৰ,
আমাৰ হাঁহিৰ কাৰণবোৰ,
আমাৰ অভিমানবোৰ,
আমাৰ খন্তেকীয়া খংবোৰ..

আমি লগ লাগিলে,
এই কথাবোৰে আমাক
আকৌ পুৰণি দিনবোৰলৈ লৈ যায়।

সেয়েহে ভাবিছো
বহু বছৰৰ পিছতো
আমি দেখোন একেই আছোঁ,
মনেৰে, ভাৱেৰে, হেপাহেৰে।

আমি লগ লাগিলে
এতিয়াও দেখোন
ডেকাকালৰ দিনবোৰ
ঘূৰাই পোৱা যেন লাগে!

পুৰণি স্মৃতিবোৰে
মনটো থৌকি বাথৌ কৰে।

# থৌকি বাথৌ মন

**— মামনি হাজৰিকা**

হৃদয়ে মনৰ দাপোণত
সেউজীয়া দলিচা পাৰি
নাহৰৰ সৌৰভ লবলৈ
হৈছে বিভোৰ

এইখন চোতাল
জীৱন গঢ়া কমাৰশাল

তাতেই গঢ়ি পিতি
জীৱন গঢ়িছো
বিভিন্ন ক্ষেত্ৰত বিভিন্নজনক
প্ৰতিষ্ঠিত হোৱা দেখিছো

হোষ্টেল, লাইব্ৰেৰী, কেণ্টিন
ক্লাছ ৰূমবোৰ, বিপনী, অডিটৰিয়াম
অৰ্চাড, লেবৰেটৰী, পোষ্ট অফিচ..
ক'ত যে স্মৃতি
আছে সাঙুৰি

ৰামধেনুৰ সপোন দেখা
হোষ্টেলৰ দিনবোৰ
ফ্ৰী ইভিনিং, কলেজ ফাংচন
মনৰ নিজান কোণত যে
হৈ আছে সজীৱ

জীৱন গঢ়াৰ কমাৰশালত
যিদিনা মই ভৰি দিছিলোঁ,
সতেজ সেউজীয়া সপোন এটাৰে
মই বুকুখন ভৰাই লৈছিলো।

শাৰী শাৰী নাহৰ গছৰ সৌন্দৰ্য, সুৱাস
মোৰ আজিও মনে প্ৰাণে পৰিচিত।

দিনবোৰ বাগৰিছিল
কৃষি মহাবিদ্যালয়ৰ চৌহদত
একাত্মতা, আন্তৰিকতা বাঢ়িছিল

শিক্ষক-শিক্ষয়িত্ৰী আৰু
কৰ্মচাৰী সকলৰ সৰলতা
জানো পাহৰিব পাৰি?

পাহি মেলা সেউজীয়া
সপোনবোৰ গোপনে আহিছিল

ৰোমাঞ্চিত, আৱেগিক মূহুৰ্তবোৰে বুজাইছিল
যৌৱনৰ প্ৰাৰ্চুয্য
জীৱনৰ অৰ্থ

জীৱন নিজ গতিৰে আগবাঢ়ি আছে,
সেউজীয়া শাশ্বত সপোন খিনি
বুকুতে আছে,
মনত মচিব নোৱাৰা
আত্মীয়তাখিনিও জীৱন্ত হৈ আছে,
স্মৃতিবোৰো বুকুত সজীৱ হৈ আছে,
হেঁপাহবোৰো সঞ্জীৱনী হৈ হৃদয়ত বৈ আছে

আত্মীয়তাৰে সতেজ তুমি
যোৰহাটৰ কৃষি মহাবিদ্যালয়
কঢ়িয়াই ফুৰিম তোমাক
জীৱন জুৰি

পাহৰণিক নিলগত থৈ
তোমাৰ সোঁৱৰণি লৈ
দেখো সপোন

সচাই, তুমি যে মোৰ
নিচেই আপোন।

# ক্ষণবোৰ গৈ থকা মানে ব্যাকুলতা বাঢ়ি যোৱা

— ৰমেশ মেধি

মাজত আৰু মাথোঁ তিনিটাদিন।
পিছদিনা হ'লেই আমিবোৰ লগ হ'ম!
সেউজ বাকৰিত।
সিদিনা প্ৰভাতী সূৰুজৰ ৰক্তিম আভাত
জিলিকি উঠিব হেজাৰখন অতীতৰ মুখ।

ক্ষণবোৰ গৈ আছে মানে
বুকুত ধানবনা কলৰ দৰে ব্যাকুলতা বঢ়িছে।

কোনোবাজন অৱসৰী চাৰ,
কোনোবাজন কৰ্মৰত শীৰ্ষ বিষয়া,
কোনোবাজন সহপাঠী,
কোনোবাজন জ্যেষ্ঠ,
কোনোবাজন কণিষ্ঠ
কোনোবাজন ঘনিষ্ঠ।
সকলোকে লগ পাম।
দোভাগ ৰাতিলৈ কথা পাতিম।
দোকমোকালিতে উঠিম।
যাতে সাৰি নাযায় এটাও
সুখৰ দৰিকণা!

মুঠতে মুখেই মুখ
চিনাকি-অচিনাকি বহুমুখ
কাটি কৰি আহিব দুখ
বিচাৰি অনাবিল সুখ।

গৃহস্থ সাজু।

দুটাদিন পিছত পোষ্টৰ ভৰত হাউলি পৰিব
ফে'চবুক, হোৱাট্‌চআপ,
ইনষ্টাগ্ৰামৰ সেউজীয়া পৃষ্ঠা।

'পোষ্ট'ৰ পোষ্টমৰ্টেম ৰিপোৰ্ট আহিব।

লাইক, কমেণ্ট, শ্বেয়াৰৰ বজাৰ বহিব।
ইতিবাচক-নেতবাচক বহুতো।

তাৰপিছত এটা দীঘল হুমনিয়াহ!

আকৌ কেতিয়া লগ পাম?

# আহা, বিচাৰি চাবা নিজকে ইয়াত

— পুলিন পাটগিৰি

পাই যোৱাই কিজানি
মোৰেই কোনোবা এচুকত
এৰি থৈ যোৱা তোমাক।

আহা আকৌ এবাৰ

লগে-ভাগে ফুৰা
লগে-ভাগে ঘূৰা
লগে-ভাগে খেলা
লগে-ভাগে শুনা
লগে-ভাগে কোৱা
লগে-ভাগে গোৱা
লগে-ভাগে খোৱা
লগে-ভাগে হাহাঁ বা লগে-ভাগে কান্দা

বিচাৰি চোৱা নিজকে তুমি

হোষ্টেলবোৰত বা ক্লাছ ৰুমবোৰত
আই-চি-আৰ বা হৰ্টিকালচাৰ ফাৰ্মত
খেলপথাৰত বা ইন্ডোৰ ষ্টেডিয়ামত
অডিট'ৰিয়ামত বা কেন্টিনত
ৰাস্তাবোৰত বা নাহৰৰ ছাঁত
পুখুৰীবোৰৰ পাৰত বা প্লাজাৰ পকী
বেঞ্চবোৰত
শনিবাৰৰ ফ্ৰি ইভিনিংত বা
লোড শ্বেডিংৰ সন্ধিয়াৰ চিএঞৰবোৰত

আহি যোৱা- গুছি যোৱাৰ আগতেই
বিচাৰি পাবা নিজকেই ইয়াত
বান্ধিতো ৰাখিছোঁই আলফুলে
তুমি এৰি যোৱা
তাহানিৰ তোমাক
মোৰেই ৰ'দ-ছায়াৰ মায়াত।

# অলপ ইন্দিকা লগাই দিয়া

— শৈলেন তালুকদাৰ

হে'ৰা,
চুলিত অলপ ইন্দিকা লগাই দিয়া!
'উৰা! এইজনৰ আকৌ কিহে উকালে চোৱা!'
এ নহয় বুজিছা
সিৰা-উপসিৰাত তেজে তগবগাইছে,
তেজাল ডেকাটো হওঁ হওঁ লাগিছে,
ফিল্মী ষ্টাইলত
কামিজৰ ক'লাৰত ধৰি
ট্ৰায়েঙ্গুল, কেন্টিন, বিপনীত বহি
ফটুৰা চাল দিবৰ মন গৈছে !

'যা নিধক কৰোবাৰ'
ধকনে নিধক নাজানো-
মোৰ যে দেহত আকৌ সেউজীয়া বিয়পিছে ।
চাহুৰ ওমলেট, ৰহমানৰ ব্ৰেড-বাটাৰ
খানদাৰ তেলন পৰঠাৰ
আকৌ এবাৰ জুতি লবৰ মন গৈছ!
হোষ্টেলৰ আড্ডাৰ গিজগিজনি,
শেষ নিশাৰ তিনিপাট্টি আৰু
আঁচুকাই-চেনীকাইহতৰ চানডেৰ
মাংসৰ বাতিয়ে মোক আমনি কৰিছে !

তুমি নুবুজিবা -
এটেণ্ডেনঞ্চৰ প্ৰ'ক্সি মাৰি কৰা
যুদ্ধ জয়ৰ মিছা কল্পনাৰ আমেজ কেনেকুৱা
আৰু পিছ দুৱাৰেদি ক্লাছৰ পৰা
পলোৱা সেই ফন্দিবোৰ!
দৰকাৰ আছিল সহপাঠীক দিয়াৰ বাবে
কাৰ্বণ-পেপাৰ আৰু ফটিকাৰ সতে ফিল্টাৰ-ৱাটাৰ ।

“থওঁকহে আপোনাৰ ফটা লেক্সাৰ ।”
নহয় ও...
চাওঁ, মোঁচকচাতো অলপ লগাই দিয়াচোন ইন্দিকা
একেচিপে হৈ যাওঁ চফল ডেকা ।
মিড্ টাৰ্ম এণ্ডটাৰ্ম এক্জাম দিম
ইউৰিণেলৰ এচুকত বহী ৰাখিম
চুচুক-চামাককৈ ঘন্টাত তিনি-চাৰিবাৰ
ইউৰিণেল দৌৰিম,
পঁচিশৰ ভিতৰত পঁচিশ পালেহে
গাত লাগিব আনন্দৰ ৰিমজিম ।

আৰু শুনা,
এইবাৰ ভাইভাত ভালকৈয়েই পঢ়ি
অন্ততঃ ব্লাফ নিদি
কাৰেক্ট এনচাৰ দিম কিচিম কিচিম
নহলে টেনচন লৈ কেনেকৈ যাম বাৰু
ফ্ৰী ইভিনিং!
কেনেকুৱা যে আছিল সেই
ফ'ৰ এফৰ আতংকৰ ড্ৰীম ! উস !

মোৰ স্লীম্ ফিট কামিজটো
প্ৰেচ দি থ'বা
স্কীন টাইট জিনচটোও অলপ
জাপি জুপি থ'বা
বাপ্লেকে এণ্ডফিল্ড বাইকখন
নাইণ্টিত চলাম
একেকোবে গৈ জামুগুৰি ওলাম ।

বুজিছা,
আকৌ এবাৰ ষ্টুডেণ্ট হৈ চাম !
হেৰোৱা দিনবোৰ উভতি ঘুৰি চাম !
হেৰা,
দুদিনৰ বাবে মই মই হওঁ দিয়া!
কথা দিলো -
উভতি আহি দিম তোমাক
মোৰ গোটেইখনি হিয়া
মোৰ দেহত যে বৈছে তেজ সেউজীয়া !
চাওঁ,
আৰু অলপ ইন্দিকা লগাই বেছিকৈ লগাই দিয়া !

# বিয়লি হাটৰ নাট

**— প্ৰভাত বৰা**

বিয়লি হাটৰ নাট
চিনাকি বেলিৰ বাট
কেঁকুৰিত হেৰাই যায়
এৰি অহা দিনৰ নিৰ্যাস

কিযে মায়াময়
কিযে মোহময়
জীৱন নদীৰ বাট
পল অনুপল কৰি
চিনাকি বাটেৰে
বৈ যায় অণুক্ষণে
মাথোঁ ভটিয়াই

বিয়লি হাটৰ নাট
সোঁৱৰণী সুঁতিত হেৰাই
সোণালী শৈশৱৰ ঘাট

বিয়লি হাটৰ নাট
সময়ে হেৰুৱাই আঁত
নীল নদীত মাৰ যায়
তেজ ৰঙা দুপৰৰ
প্ৰাণোচ্ছল উত্তাপ

বিয়লি হাটৰ নাট
বলুকাত মাৰ যায়
এৰি অহা দিনৰ ৰাগ
ৰিনিকি ৰিনিকি বাজে
জীৱন বীণাৰ গান
কল্যাণ খৰমান—

বিয়লি হাটৰ নাট
বাটেও দেখুৱাই বাট
হৃদয় গহন বন
শ্ৰান্ত ক্লান্ত মন
সিঁচি যায় মুঠি মুঠি
আবেলিৰ হেঙুলীয়া ৰং
সাধনাৰ সাঁচতীয়া ধন।

## স্বাগতম বন্ধু

**— কিশোৰ কুমাৰ শৰ্মা**

আহানা বন্ধু ১১ তাৰিখে।
ৰৈ আছো তোমাৰ বাবে
আমাৰ বিশ্ববিদ্যালয়ৰ প্ৰবেশদ্বাৰত।
ঠিকেই দেখিছা বন্ধু
আমাৰ দিনৰ সৰু দ্বাৰ খন
এতিয়া প্ৰকাণ্ড হ'ল।
বাওঁফালৰ এনিমেলহাজবেণ্ডেৰী বিভাগটো
এতিয়া 'এটিক' হল
লাগে যদি
ইয়াতেই কৃষিৰ তথ্য পাবা।
সোঁফালে দেখা পাবা
সম্প্ৰসাৰণ সঞ্চালকালয়।
আমাৰ দিনৰ চেনিকুঠিত
লক্ষ্মী-সৰস্বতীৰ প্ৰতিমূৰ্তি আছে।
এই মুৰ্তিৰ অৰ্থ জ্ঞানাৰ্থে প্ৰবেশ
সেৱাৰ্থে প্ৰস্থান।
অ' ইয়াৰ পৰা বেংকতো উঠি গ'ল
আমালৈ মৰম কঢ়িয়াই অনা
ডাক ঘৰতো কিন্তু তাতেই আছে।
দিবা নিশা ভলীবল খেলা ঠাইত
বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় ভৱন হ'ল।
ৰবা আৰু আগনাবাঢ়িবা বান্ধৈ
তোমাৰ হোষ্টেলতো এতিয়া
ছাত্ৰীহে বাস কৰে।

আমাৰ দিনৰ এক,দুই,তিনি,চাৰি নং
ছাত্ৰাবাসবিলাক এতিয়া ছাত্ৰীবাস হল
কেন্টিন খন আগতকৈ ডাঙৰ হল
ইয়াৰ ওপৰৰ ইনডʼৰ ষ্টেডিয়ামত
তুমি ভালপোৱা বেডমিণ্টন খেল হয়।
আমাৰ দৰেই আজিও
ছাত্ৰ-ছাত্ৰী আঠটা বজাৰ ক্লাছ পাবলৈ
দৌৰাদৌৰি লাগে।
এতিয়া বন্ধু গেলাৰীত পাঠদান নহয়।
শ্ৰেণীকোঠা শীতাতপ নিয়ন্ত্ৰিত হʼল
আজিৰ ছাত্ৰ ছাত্ৰীয়েও এছাইনমেন্ট
টাৰ্মপেপাৰ লিখে,
প্ৰেক্টিকেল বহীত R+ পাবলৈ
লাইট নাথাকিলে ক্লাছ কেনচেল কৰে।
আমাৰ দিনত চাকৰি সহজে পাইছিলো
এতিয়া কিন্তু চাকৰি সহজ লভ্য নহয়
আমাৰ দিনতো হিয়া দিয়া নিয়া হৈছিল
আজিয়ো হৈছে।
আগতে প্ৰেয়সীৰ লগত ৰিক্সাত উঠি
ইলি হʼললৈ , গেচʼডালৈ গৈছিলা।
আজিকালি মবাইলত প্ৰেয়সীৰ লগত
মাজনিশালৈ বাৰ্তালাপ হয়।
আমাৰ দৰেই আজিৰো বাতাবৰণ
মধুৰ,প্ৰাণচঞ্চল আৰু আনন্দময়।

# কাঞ্চন নগৰ

(মণি-কাঞ্চনৰ হাতত)

**বিজু নাথ শৰ্মা**

কাঞ্চন নগৰ অতি বিতোপন
আবেলিৰ  লুকা- লুকি খেল
পাহুৰাল বুকুৰ তেজ
উত্তাল নোমাল বাহুৰ ৰন্ধ্রে ৰন্ধ্রে
ঘাম হৈ জিলিকে
দুচকুত পানী-ৰঙী আশা
ভজা কণীৰ দৰে
ভজা বুটৰ দৰে ফুৰফুৰীয়া

কাঞ্চন নগৰ  পকী বেৰৰ বাহিৰৰ  দেশ
বসন্তৰ বা লগা কুৰিত
ঘূৰি ফুৰে তীকি
কাঞ্চন বিহীন কাঞ্চন নগৰত
টিপ্ চাকিৰ পোহৰ
ফটিকাৰ গোন্ধত কাঞ্চন ফুলে
তাতেই তাচ পাতৰ ঘৰ সাজে
বিচাৰি কল্পনাৰ কাঞ্চন

পকী বেৰৰ ভিতৰত পোহৰৰ আতছ্বাজী
জ্ঞানৰ পৃষ্ঠাত জিলিকা পোহৰ
ক্ষণে ৰুষ্ট ক্ষণে তুষ্ট বিষয়
পুৰালি পুৰাতে

কাঞ্চন নগৰ  অতিবিতোপন
ৰস শুহি থিয় দিয়া আজিৰ অট্টালিকা

সোঁৰৰণীৰ ফুল বোৰ ভজা কণীৰ দৰে
ফটিকাৰ গোন্ধবোৰ কাঞ্চন ফুলৰ দৰে
সোঁৰৰণী বুটাতোলা ফুলহৈ
বুকুতে সোঁৰৰণী হয়।

# আই ! তোক পাহৰি থাকিম কেনেকৈ ?

**ৰমেশ মেধি**

আই !
তোৰ গৰ্ভত স্থান লোৱাৰ পৰা
কৃষি স্নাতক নাম লৈ জন্ম পোৱালৈকে
তোৰ কমখন যাতনা হৈছিল নে ?
তোৰ জৰায়ুৰ যন্ত্ৰণা
বক্ষৰ বেদনা
কেনেকৈ পাহৰিম।

তোৰ নাহৰণি হাতৰ মোলায়েম মৰম,
দেৱদাৰু দৰদ,
প্ৰেমৰ ভোগদৈ,
জ্ঞানৰ অজন্তা
কেনেকৈ পাহৰিম ?

আই ! আহি আছো।
দুটাদিন ! অন্ততঃ দুটাদিন
তোৰ ওচৰলৈ আহি আছো।
তোৰ পয়সত্তৰ বছৰীয়া বুৰঞ্জী আৰু ভূগোল
পঢ়িবলৈ।
ককাই-ভাই, বাইদেউ- ভণ্টিহতকো কৈছো।
আহিবি সকলোৱে আইৰ কোলাই বোকোচাই
উমলিম পানী কেঁচুৱাৰ দৰে।

# আহিবি দেই

— অঞ্জন কুমাৰ শৰ্মা

নিশ্চুপ আলিটো কঁপি উঠিছিল
তহঁতৰ খিলখিল সুমথিৰা হাঁহিত
আমে মলিয়াইছিল
লিচুবোৰ পকিছিল
সেউজীয়া আমাৰ বুকুবোৰ
নিমিষতে কঁহুৱা হৈ হালিছিল
লাজুকী নদীখনে
সজল চকুবোৰত
কাজল চটিয়াইছিল
পাৰিলে এপাক মাৰিবি
একাবেকা লাজুকী নদীখনৰ পাৰবোৰৰ
সেউজীয়া ঘাহঁনিডৰাত
এতিয়াও পৰি আছে কাজলৰ ফুট
লিৰিকি-বিদাৰি চাই অনামিকাৰে তুলি লবি
ইমানদিনে খুচি বিন্ধি আমনি কৰি থকা বুকুখনত
কোনেও নেদেখাকৈ সানি লবি
আহিবি দেই
ফাগুনো আহিব
তইও আহিবি
তাইও আহিব
কঁহুৱা হৈ হালিজালি
সকলোৰে একেলগে নাচিম এদিন।

# অপেক্ষা

— গৌতম কুমাৰ শইকীয়া

আহিবাচোন...
আত্মীয়তাৰে বান্ধিম
সময়খিনিক
সেউজী বাকৰিত,
শব্দৰে সজাম
হৃদয়ৰ ভাষাবোৰক

নিয়ৰৰ কণিকাৰে গুঠিম
বয়সে গৰকা
তৰুণ-তৰুণীসকলৰ
মৰমগাঠা,

এৰি অহা খোজবোৰৰ
পুনৰ্মিলনত
উন্মোচন কৰিম আমাৰ
উকি আৰু
সেই পুৰণি চিঞৰবোৰ,
হাঁহি-ধেমালি-আড্ডাৰে
গমগমাই, ৰজনজনাই তুলিম
সেউজ চৌহদ

খিলখিলনিৰে
ওভতাই আনিম
উচ্ছল অতীত
আৰু
নৈ আলতীয়া সুবাসেৰে
জাপি লৈ যাম
বাংময় মুহূৰ্তবোৰ
সোণোৱালী সোঁৱৰণী কৰি...

আহিবাচোন তুমি...।

# সেউজ চৌহদ

— ভক্ত প্ৰসাদ গৌতম

জীৱন যুজঁৰ অভিযানত অভিনৰ মাদকতাৰে
শইছ সোণালী সপোনৰ মাতৃ মমতাৰ বুলনিৰ
সেউজ চৌহদ
ইয়াৰ প্ৰতিটো ধূলিকনাত সুৰাৰোপিত
জীৱন যুজঁৰ একো একোপাত
জ্ঞানামৃত অস্ত্ৰ
জীৱন যুজঁৰ মন্ত্ৰ

এৰি অহা দিনবোৰৰ সোঁৱৰণত বোৱতী সূতিৰ
সাগৰ সদৃশ বিশালতা
কেইটামান দিনৰ পাছতেই সাগৰবোৰ আহি
মহাসাগৰত হ'বহি বিলীন
পৃথিৱীৰ সমস্ত ব্যথা পাহৰি আমি সকলো হ'ম লীন

স্বৰ্গৰ কাল্পনিক অমৰাৱতী নগৰীৰ মাধূৰ্যৰে উদ্ভাসিত হ'ব আগত দুদিন
ফেব্ৰুৱাৰী মাহৰ দুটাই মাত্ৰ দিন
শান্ত সৈম্য নিৰ্মল প্ৰকৃতিৰ নিবিড় আত্মীয়তাত
সেউজ চৌহদত সৃষ্টি হ'ব পোহৰ প্ৰয়াসী সুহৃদৰ
এক মধুৰ আকৰ্যণ
আনন্দৰ ইন্দ্ৰধনু বোৱাই নবোন্মেষিত সুৰঞ্জিত
মহামনৰ মহামিলনত
সৰ্বতোমুখী প্ৰতিভাৰে বন্ধুত্বৰ বিশ্বমুখী বৈচিত্ৰ্যতাত
গঢ় লৈ উঠিব বিস্ময় বিমুগ্ধ অভিযান ।
সেউজ চৌহদৰ প্ৰতিটো ধূলিকনাত
সুৰাৰোপিত হ'ব পুনু
শোধিত শোভিত শোভাকৰ পীয়ুষ।

# সেউজ স্মৃতিৰ সুবাস

— **ৰমেন কুমাৰ শৰ্মা**

(১)

বন্ধু, তোমাৰ বাৰু মনত পৰেনে
সেই দিনবোৰৰ কথা
যিবোৰ দিনত বৰভেটাৰ অলিয়ে-গলিয়ে
পিট পিটাই ঘূৰি ফুৰিছিল
আমাৰ উদ্ভ্ৰান্ত যৌৱন?

(২)

তোৰণখন এতিয়াও থিয় হৈ আছে
তেতিয়াৰ স্থানত
পিছে তাৰ কাঠি কামিবোৰ, তাৰ ৰংবোৰ
তাৰ গাৰ আকবাক বোৰ
সকলো সলনি হ'ল।
তোৰণখন আগতকৈ অধিক উচ্চ
অধিক মজবুত হ'ল
তাৰ তলেৰে অহা-যোৱা কৰা
মানুহবোৰো সলনি হ'ল।

(৩)

এক প্ৰকাণ্ড চৌহদ
মূল প্ৰৱেশ পথৰ দুকাশে
মন বিয়াকুল কৰা নাহৰৰ শাৰী
নাহৰৰ ফুলবোৰে কেনেকৈযে মুখ্ টিপি
হাঁহিছিল
তোমাক মোক আমিবোৰক চাই চাই,
তুমি বাৰু বুজিছিলানে নাহৰৰ ভাষা?

(৪)

ব'লা,  অকণমান ভিতৰলৈ যাওঁ
এতিয়া পৰিবেশ সলনি হল
নাহৰৰ ছাঁবোৰ পাতলিল
ৰাস্তাবোৰ বহল হ'ল
পুখুৰীৰ পাৰবোৰ  শিলেৰে বান্ধি দিয়াত
অতিকৈ দেখনীয়াৰ হৈ উঠিল
পুখুৰীৰ ওপৰত এখন ধুনীয়া
সাকো সজা হ'ল
আহিবাছোন এবাৰ (এলুমনি মিটত)
সাকোৰ ওপৰত বৈ এখন ছেলফি উঠিম।

(৫)

এয়া চোৱা, ইয়াতেই আছিল
ইষ্টাৰ্ণ-ৰেষ্টাৰ্ণ গেলাৰি
পৰিছেনে মনত শাৰী শাৰীকৈ পাতি থোৱা
ডেক্স- বেঞ্চবোৰৰ কথা
তাৰ চুকতেই সগৌৰৱে থিয় দি থকা
প্ৰকাণ্ড লিচু গছ জোপাৰ কথা
এই গেলাৰি আৰু লিচু জোপাক লৈ
ছিনিয়ৰে আমাক শুনাইছিল
অলেখ অজস্ৰ কাহিনী, কথা উপকথা।

(৬)

আমাৰ কৃষি কলেজখন ৭৫ বছৰীয়া হ'ল
হোমচায়েঞ্চ কলেজখনে কমুনিতি চায়েঞ্চ নাম ললে
সেয়াও এতিয়া দুকুৰি দহ বছৰীয়া,
ছাত্ৰাবাসতকৈ ছাত্ৰী নিবাস বৃদ্ধি হ'ল
বিপণীখনৰ ৰূপৰ পৰিবৰ্তন হ ল
তাত এক দুমহলীয়া চপিং কমপ্লেশ গঢ়ি উঠিল
বিপুল ষ্টেচনাৰী, কটকীৰ চাহ দোকান
বিলুপ্ত হ'ল।

(৭)

আই চি আৰ ফাৰ্মৰ ফালে যোৱা যদি বলা
ৰোমন্থন কৰিব পাৰিম
পি চি পি ত হাল বোৱা, কঠীয়া ৰোৱা কথাবোৰ
কিমানযে ৰঙীয়াল আছিল সেই দিনবোৰ!

(৮)

হোষ্টেলবোৰ আগৰ হিচাপত নাই
তথাপি মনৰ চকুৰে এপাক মাৰাছোন
এক নম্বৰ দুই নম্বৰ হোষ্টেলৰ মাজেৰে
তিনি নম্বৰৰ ফাললৈ,
চাৰি নম্বৰকো বাদ নিদিবা।
আব্বে ছন হৈ গল বে, এক্কেবাৰে ফিটিং-
এয়া কাৰ চিঞৰ ধৰিব পাৰিছানে?
নালাগে দিয়া আজিলৈ ভিতৰত নোসোমাও
তাতকৈ পুখুৰীৰ পাৰে পাৰে গৈ
তাহানিৰ নিউবয়জ, ছয় নম্বৰ আৰু এন ই চিৰ ফালে এপাক মাৰি আহোগৈ।

(৯)

তুমি এৰি যোৱা সোণালী ৰ'দজাক
আজিও ওলায়
মন ৰাই-জাই কৰোৱা পচোৱাজাকে
এতিয়াও পূবা পশ্চিমাকৈ তাত বাতি কাঢ়ে
শীত আহে, কুঁৰলী য়ে মায়া সানে
পিছে শীতক পৰশী কুঁৰলীত ডুব যাবলৈ
তুমি নাই, ম ই নাই
নাই আমাৰ স্মৃতি।

(১০)

একেখিনি সেউজীয়াৰ মাজতে
ছাঁ-পোহৰৰ খেল এতিয়াও চলে
এতিয়াও কাৰো কাৰোবাৰ বুকুত
সোণাৰুৱে পাহি মেলে
যিদৰে তাহানিতে বেলিফুল ফুলিছিল
তোমাৰ হৃদয়ত
পিছে কিয় জানো থমকি ৰলা
পানীত নামি পদুমৰ কলি ছিঙা
হৈ নুঠিল তোমাৰ।

(১১)

শুনাছোন, তোমাৰ মৰমৰ নগৰখন
তুমি এতিয়া চিনি নাপাবা
সৰু সৰু কেঁচা আলিবাটবোৰ
আহল বহল পকী ৰাস্তা হ'ল
সৰু সৰু এচলীয়া ঘৰবোৰৰ ঠাইত
ওখ পাখ অট্টালিকা গঢ় লৈ উঠিল
তাত বাস কৰা মানুহবোৰো সলনি হল
তাৰ মাজতেই আন বহু জনৰ লগত
আম্‌েঙলা জনীও ক'ৰবাত হেৰাই থাকিল।

(১২)

ৰাইনো এতিয়া চিনেমা ঘৰ নহয়
অজন্তা, শংকৰ, প্ৰভৰাজৰ
কেতিয়াবা ই মৃত্যু হ'ল
শনিবৰীয়া ফ্ৰি ইভিনিঙ
দেওবৰীয়া স্পেচিয়েল
এতিয়া অতীত হ'ল
নহবনো কিয়, এতিয়া যে
মোবাইল আৰু লেপটপৰ সময়
জমেটো, ছুইগীৰ সময়।

(১৩)

নেফা গেট,তৰাজানৰ কথাবোৰ
এতিয়াও হৃদয়ত বাজে হবলা
মনত পৰেনে আইভীলতাৰ ফাকেৰে
জুমি জুমি চোৱা
ধেনুভিৰীয়া এহালি চকু
থাকক দিয়া, বুকুখন বিষায় উঠিব পাৰে
চকুৰ কোন সেমেকিব পাৰে
সলনিতো হ'ব ই, সময়ক কেনেকৈ বান্ধি বা
সময় বোৱতি নদীৰ ধাৰ
তাক বৈ থাকিবলৈ  দিয়া চিৰ প্ৰবহমান হৈ।

(১৪)

কি হ'ল বন্ধু, বৈ গলা কিয় ?
কিবা বিশেষ কথা ?
দহ নম্বৰৰ পৰা ছন্দময়ী খোজেৰে
সদলে বলে আগুৱাই অহা
এজাক পৰীৰ  মধুৰ কলৰৱ,
কোনোবা পৰীৰ বিমোহিনী চাৱনিত
তোমাৰ ক্ষত বিক্ষত কলিজাৰ কাহিনী
পৰিছেনে মনত তেনে কোনো কথা ?
বুকুখন লাহেকৈ বিষাই উঠিছে নেকি
হয়তোবা এটি দীঘল হুমুনিয়াহ !
বুজিছা বন্ধু, সময় বৰ নিষ্ঠুৰ
আমাৰ আঙুলিৰ ফাকেৰে সৰি পৰা সময়
এতিয়া  আন কাৰোবাৰ হাতৰ মুঠিত !!!

## আহক দেৱগন

**— অঞ্জন কুমাৰ শৰ্মা**

দেৱদাৰুৰ তললৈ আহিব দেৱগন
দেৱলোকৰ পৰা আহিব নামি
দুদিনৰ বাবে দেৱঋষি হৈ
হাতত কমণ্ডলু লৈ ওলাব..
জামাইকালৈ গমন
বতৰো যদি কেনেবাকৈ পৰে গৰম
কেকুৰীয়া আলিটোয়ে আকৌ যাচিব মৰম
কেনেকৈনো থাকে বাৰু
নেপেলায় খৰম
সন্ধিয়া আকৌ
দেৱতা লগাদি নাচিব গা
কমণ্ডলুৰে নিগৰি বব’
অমৃত ৰসৰ সুবাস
ডিঙিৰ টাইডাল খুলি লৈ
দীঘলকৈ এটি উশাহ্ লব
দামী গ্লাছযোৰ খুলি লৈ
মুকলি আকাশখনলৈ চাব
জোন-তৰাৰ ধেমালি চাবলৈ
কমণ্ডলুৰে দুচাটি চটিয়াই দিলেই
চকুত ধৰা দিব
তাহানিতে এৰি অহা
সেউজীয়া পৃথিবীৰ জীয়া জীয়া বাস্তৱ
ম’নত পৰিছেনে
সোলোক ঢোলোক পুৰণি
বাইদেউৰ চোতালৰ বেঞ্চখন
কেঁচা বুটদুটামানেৰে
নিমখ সনা কণজলকীয়াৰ প্লেটখন
এতিয়াও কটাইছে অপেক্ষাৰ আবেলি
লিৰিকি বিদাৰি চাব
বিচাৰি পাব সমস্ত ভূমণ্ডল !

# ৰিঙিয়াই মাতে

**— ৰীণা ফুকন বৰকাকতি**

স্মৃতিৰ মণিকোঠাত
আজিয়ো জিলিকি আছে
সেই সেউজীয়া ৰংবোৰ
মন মোৰ উন্মনা আজি
ঢাপলি মেলিছে সেই
চিৰসেউজ কৃষি মহাবিদ্যালয় চৌহদলৈ
মহামিলন সমাৰোহলৈ
মোৰ জ্যেষ্ঠ, কনিষ্ঠ আৰু
মোৰ সমনীয়াই আকৌ এবাৰ বিচাৰিব সেই এৰি অহা দিনবোৰ
নাহৰ ফুলৰ সেই সুবাস
বিপনী, ট্ৰায়েংগোল; আই চি আৰ ফাৰ্ম, গেলেৰী, কেণ্টিন,প্লাজা,
হোষ্টেলে মোক ৰিঙিয়াই মাতে
ৰিঙিয়াই মাতে মোক
খেল পথাৰখনে
মন আজি মোৰ থৌকি বাথৌ
কেতিয়ানো লগ পাম
মোৰ হিয়াৰ আমঠু
যোৰহাটৰ সেউজীয়া চৌহদটি।

# কৃষি মহাবিদ্যালয়

— প্ৰবীণ বুঢ়াগোহাঁই

এটা সেউজীয়া সপোনৰ পম খেদি,
ভৰি দুখনে তাক টানি নিছিল,
এক বৃহৎ চৌহদৰ চোতাললৈ।
চাৰিওকাষে থকা এজাক মানুহে তাক বেৰি ধৰিছিল।
'কিয় আহিছা ইয়ালৈ?'
উত্তৰ মাথোন এটাই আছিল।
সেউজীয়া সপোনৰ আকাৰ দিবলৈ।
এইদৰেই তাৰ চাৰিওকাষে
নুফুলা ফুলবোৰ বুলিল।
হেঙুলীয়া, নীলা, বগা কিম্বা গুলপীয়া।
পথৰ দাঁতিত নিলাজী ফুলেও হাঁহিল।
হাতৰ আঙুলিৰ ফাঁকেৰে
সৰা চিগাৰেটৰ গোন্ধত,
কেণ্টিনৰ চাহো চেঁচা পৰিল।

খেলপথাৰৰ যুদ্ধক্ষেত্ৰত
দুভৰিত মাৰাডোনাৰ ছন্দ
ৰণজয়ৰ শিঙা বাজিল।
মন মগজুৰে সৈতে
অৱশ হৈ পৰে বৃহৎ লাইব্ৰেৰী আৰু লেবটৰীবোৰ।
'আঁতৰি যোৱা আঁতৰি যোৱা! নাহিবা ইয়ালৈ!'

অ'ডিটৰিয়ামত আমনি কৰে
কাৰোবাৰ নাটকৰ সুৰে।
এনেদৰে দিনবোৰ বাগৰে।
মাহবোৰে একোটা ঋতুৰ খবৰ দিয়ে।
বছৰবোৰে এটা এটা সময়ৰ খতিয়ান দিয়ে।
সপোনবোৰ সলনি নহয়।
ই মাথো সময়বোৰৰ সৈতে
লুটি বাগৰ মাৰে।
দিন মাহ বছৰৰ হিচাব লৈ
সপোনে বিদায় লয়।
সেই সোণোৱালী সেউজীয়া চৌহদৰ পৰা।
প্ৰতিশ্ৰুতি মাথোঁন
পুনৰাই লগ পোৱাৰ, সোণোৱালী দিনবোৰ ৰোমন্থণ কৰাৰ।

# সেউজীয়া সপোন বেবেৰিবাং

— আবু চুফিয়ান

ফাগুনৰ ধুলিয়ৰীত
আকাশত চৰাইবোৰ দিশহাৰা নাবিক
সৰাপাতত খোজকঢ়া মনটো উদাস
ধোঁৱাময় উৰণীয়া বালিত
কাউৰী কুকুৰীকণা, শালিকা বোবা
কপৌজনীৰ মৰম হেৰাল।

ঘূৰণীয়া মেজমেলত তৰ্কবাদ
নলা-নৰ্দমা খান্দিবি-নাখান্দিবি
আমাৰ ঘৰবোৰ অট্টালিকা কিয়
পথবোৰ উৰণীয়া
কৰি পাখি কাটিছ!

যুক্তিৰ ওপৰত অযুক্তিৰ বাক্যবাণ
মৌপিয়া-পানীপিয়াৰ ক্ৰন্দন
বৰসভাৰ বিষয় সলনি
বৰদৈচিলা ক'ত মৰিলি
মাৰিলে নে নিজে মৰিবলৈ ?

বেবেৰিবাং সপোনত চকখালে সেউজীয়াই
পশ্চিমৰ আকাশ আন্ধাৰে ছানিলে
সপোনৰ ধূলি ধূসৰিত আকাশ সৰি পৰিল
এঘাৰ-বাৰই বাস্তৱত দেখা দিলে
দিবা-স্বপ্নই গজালি মেলিলে
আশাৰ অপেক্ষাই বৰণ সলালে ।

বৰভেটা বৰভেটাই বহাগ আদৰিলে
সেউজীয়া চৌহদে পেখম ধৰিলে ।
উদুলিমুদুলি পৰিৱেশত
পুখুৰীৰ পাৰত ফুলবোৰ পুনৰ ফুলিলে
পখিলা-পখিলীৰ মিঠা হুলস্থূলত
সেউজীয়াৰ বুকুত মৃদু কম্পন
কলিতাৰ পানদোকানত ধোঁৱা
ভলীগ্ৰাউণ্ডৰ তিনিআলিত বহাগ
বিপনীৰ গগৈৰ দোকানত চুপতি
অডিটৰিয়ামত গহীন পৰিৱেশত
লুঙ্গী আখ্যানত অধ্যাপকৰ পলায়ন
বাটে-ঘাটে আন্ধাৰ বিচৰাৰ দল ।
এইবাৰ ব্যৱস্থাটো সুলভ
কেণ্ডেল-লাইটত স্ফূৰ্তিৰ পানীয়
তিনিকুৰিত মায়'পিয়া চকুত
তাহানিৰ ড্ৰিমগাৰ্ল হেমাৰ চকামকা
উথলি উঠা নিস্পন্দ হৃদয়ৰ থৌকিবাথৌ
আৰু যে কত কি !
তাৰ নামেই “Life Begins at Sixty”
ধন্য ধন্য বিনয়, ৰঞ্জন,কল্যাণ, সুন্দৰ
জ্যেষ্ঠ-কণিষ্ঠ আৰু বন্ধুগন
জীৱন জীয়াবলৈ সমাৰোহ
এই উৎসৱৰ কৰিলা আয়োজন।

ইয়াকে কয় জীৱন জীয়াৰ
মিঠা ৰোমন্থন
জীৱন নাটৰ সঠিক মঞ্চায়ন।

## ৰোমন্থণ

— উৰ্মিমালা হাজৰিকা

কেতিয়াও দিয়া নাই তোমালৈ
জন্মদিনৰ শুভেচ্ছা,
নিমন্ত্ৰণ জনোৱা নাই উৎসৱত
একগোটো হোৱা নাই সন্মিলনত
— সেইটোৰ অৰ্থ এইটো নহয় যে
তোমাক মনত ৰখাৰ নাই মোৰ ইচ্ছা ।

উত্তৰ দিয়া হোৱা নাই তুমি দিয়া বাৰ্তাৰ
অৱকাশ পোৱা নাই এক পংক্তি লিখাৰ
— সেইটোৰ অৰ্থ এইটো নহয় যে
তোমাক মনত ৰখাৰ নাই মোৰ ইচ্ছা ।

অত্যন্ত জৰুৰী সময়ত হ'ব পৰা নাই
উপস্থিত তোমাৰ কাষত
সোধ-পোচও কৰা হোৱা নাই
তোমাক ভাল-বেয়াৰ সম্পৰ্কত
— সেইটোৰ অৰ্থ এইটো নহয় যে
তোমাক মনত ৰখাৰ নাই মোৰ ইচ্ছা ।

ভাৱ বিনিময় কৰা হোৱা নাছিল
যথেষ্ট সময় তোমাৰ সৈতে
হয়তোবা সময় পাৰ হৈছিল এনেকৈ
য'ত নিজকো বুজিব পৰা নহৈছিল তেনেকৈ
কিন্তু—
ৰৈ গৈছিল এক বান্ধোন স্মৃতিসনা
সময় নহ'বনে বাৰু তাকেই ৰোমন্থণ কৰা।

# আদৰণি

**— সুন্দৰ বৰ্মন**

সেউজ চৌহদত তোমাক বিচাৰি—
মই ৰৈ আছো, সেউজ চৌহদৰ বাকৰিত,
তুমি আহিবা —
তোমাক আদৰিবলে চৌহদৰ গছ-বন বিৰিণাই ন-ৰূপেৰে ৰৈ আছে
নতুনত্বৰ আচ্ছাদনেৰে আবৰি।
তুমি আহিবা—
আমাৰ চিৰ পৰিচিত তাহানিৰ অফিচবোৰে বৰ্তমানৰ নতুন ৰূপ লৈ,
মূল পথটিয়েও যেন ৰঙা দলিছা পাৰি তোমালৈয়ে ৰৈ আছে,
তুমি আহিবা—
সৌৰা, ট্ৰাই এংগলেও নৱ-ৰূপেৰে তোমালৈ বাট চাই আছে,
কেণ্টিনৰ খেজুৰ জোপা মনত বাৰু আছেনে?
কিমানযে কথাৰ সাক্ষী, সিয়ো আজি তোমাকে ৰিঙিয়াই মাতিছে;
আমাৰ মৰমৰ অ'ডিট'ৰিয়াম, লাইব্ৰেৰী সকলোৰে ন সাজে ৰৈ আছে তোমাৰ বাবে।
তুমি আহিবা—

# মন সাগৰৰ তৃষ্ণা

**— দিগন্ত থাপা**

অথাই সাগৰ
নাদুৰি-সাঁতুৰি
ক্লান্ত, পৰিশ্ৰান্ত
পুৰাৰ খৰ খোজ,
সন্ধিয়াৰ অস্থিৰ নীড়মুখী বেগ
প্ৰাত্যহিক কোলাহলৰ অবিশ্ৰান্ত প্ৰহাৰ !!
উঃ কি শ্বাস ৰুদ্ধকৰ !!
****
এয়াচোন
সমুখত উপকূল
শান্ত, সৌম্য আৰু বা ৰিব ৰিব
যেন উন্মুক্ত যৌৱন-এলুমনি মীট 2023 !!
এখন্তেক জিৰণী
অলপ ধেমালি
অলপ ৰোমন্থন
অলপ হিচাব - নতুন কিমানক পাম
অলপ হিচাব - কিমানক হেৰুৱালো

কেণ্টিন, লাইব্ৰেৰী, বিপনী
পুখুৰীপাৰ,
ৰবৈয়া বজাৰ - Sunday Special,
Rhino Hall,
........ কত যে দোলা দি যোৱা ভাবৰ বুৰবুৰনি।
..... কেতিয়ানো আহিল ঘুমটি !!
১১ ফেব্ৰুৱাৰী,
সূৰ্যোদয়ৰ আগতে এয়া
যোৰহাট অভিমুখী
তেজাল যাত্ৰা........
..........

# অন্য আকাশঃ এটা প্ৰেমৰ কবিতা

— **কুলেন দাস**

পৃথিৱী পৰিভ্ৰমী বতাহজাক আহিছে
উত্তৰৰ পৰা দক্ষিণলৈ

মই তোমাৰ দক্ষিণা বিচাৰি
দুৱাৰমুখত আহিছো
নিঃকিন শিৰ

মৰিশালিৰ ভস্ম আৰু চণ্ডালৰ নীচাৰ বাদে
ৰাখিব নিশিকিলো একো

তুমি এৰি যোৱাৰ পিছত
ময়ে মোৰ মৃতদেহৰ ৰক্ষক
ময়ে কৰো তদাৰক মোক

তোমাৰ ধাননিৰ পাতে কটা
মোৰ দেহৰ চিহ্নবোৰ লৈ
অলপতে মই দাহ কৰিম মোক

একো নেথাকিলেও
পুস্প দুগ্ধ নবৈদ্য
ভালপোৱাৰ শিলত খোদিত মোৰ আত্মাৰ অস্তিত্ব

বাসনাত লালকাল যোৱা ৰাতিক মই জগাম

আৰু চিঞৰি চিঞৰি কম
শৰবিদ্ধ হ'লেও এই আকাশ

আকাশ মোৰ ভালপোৱাৰ সীমনা।

# স্মৃতি

**— তপন কুমাৰ গোহাঁই**

এৰি থৈ অহা ফুলৰ সুবাস বিচাৰি,
'স্মৃতি'ৰ বাকৰিত হেপাহৰ এই পুনৰ মিলন।
চিৰ যৌৱনা কৃষি মহাবিদ্যালয়ৰ
বাধাহীন প্ৰাচীৰ আৰু বিশালতাৰে
পয়সত্তৰ বছৰীয়া বৰ্ণিল অনিৰুদ্ধ যাত্ৰা।
অনুপম জীৱনানন্দৰ
আশা আৰু স্বপ্নৰ পানচৈত
ভাগৰি নপৰা এজাক ল'ৰা ছোৱালীৰ
অন্তহীন আৰু স্বপ্নীল পৰিক্ৰমা।
মনফুলনিত কোনোবাই এৰি যোৱা
চিনাকি ফুলৰ ফুলা-নুফুলা কলি আৰু
কিছু মৰহা ফুলৰ পাপৰিতে,
হয়তো কাৰোবাৰ স্বপ্নভৰা অতীতৰ ৰোমন্থণ
যেন 'মোৰ ফাগুন আছেহি ৰৈ তোমাৰ বাবে'।
'স্মৃতিৰ' আলমাৰিত বিচাৰি চলাথ,
কিছু পালে আৰু কিছু নাপালে,
নিসৱদে দুৱাৰখন জপাই থ'লে।

# আৰ্তনাদ

— কল্যাণ পাঠক

শৰৎ কালৰ এটা দুপৰীয়া
গোটেই গাঁওখনত এটা নিজান পৰিৱেশ
পথত কিছু বোকা
হয়তো যোৱা ৰাতি
হঠাৎ এজাক ডাঙৰ বৰষুণ হৈছিল।
মানুবোৰ সাৱধানে
পাৰ হৈ গৈছে
ভৰিত বোকা নলগাকৈ
কাষত থকা নৈ খনো
ওফন্দি উঠিছে যেন
বাৰিষাৰ বানপানীৰ আগমন।
মাছমৰীয়া নাওবোৰ আছে
জালবোৰ আছে
গৰাকীবোৰ নাই
হয়তো যোৱাকালি ভাগৰ শেষ হোৱা নাই।
............
হুম হুম হুম শব্দৰে
গাড়ীৰ পৰা দুজমান মানুহ ওচৰ
চাপি আহিল নৈ পাৰলৈ
হয়তো কিবা নিৰীক্ষণ কৰিছে
নে উপভোগ কৰিছে
প্ৰাকৃতিক সৌন্দৰ্য
সদ্য যৌৱনা পানীৰ
ঢৌবোৰ
সোঁতবোৰ
পাল তৰা নাওবোৰ।
..........
তেওঁলোক আগবাঢ়িছিল
ওচৰৰ
বাগিছাখনলৈ
কথা পাতিব বিচাৰিল
তামোলৰ গছৰ সতে
নাৰিকলৰ গছৰ সতে।

# মই ৰোল নম্বৰ 90-A-103য়ে কৈছোঁ

— আৰাধনা বৰুৱা

হে সুহৃদবৃন্দ
সেউজ চৌহদৰ সতীৰ্থবৃন্দ
স্মৃতিৰ গৱাক্ষৰে
ঊনবিংশ শতিকাৰ অন্তিম দশকৰ চাৰিটা বৰ্ষৰ
সেই মধুৰ ক্ষণবোৰ আঁহা আকৌ এবাৰ সোঁৱৰো!
প্ৰথম বাৰ্যিকৰ চিনাকী পৰ্ব
হোষ্টেলত মেট্ৰন বাইদেউ আৰু
মনিট্ৰেছৰ শাসনৰ বাঘজৰী
মেখেলা-চাদৰত আমিবোৰ আৰু
নিউ হেয়াৰকাটৰ সেই বালকবৃন্দ
সদাত্ৰস্ত যাৰ মুখ!
নৱাগত আদৰণি সভা আৰু
সেউজ চৌহদত মুক্ত মনৰ বিচৰণ
নাহৰৰ শাৰীত ফুলৰ শোভা
প্লাজাত ৰং-বিৰঙী ফুলৰ ৰঙীণ মেলা
নৱ- যৌৱনৰ উন্মাদনাত মগ্ন প্ৰকৃতি আৰু আমি!
স্বপ্নগ্ৰস্ত দুচকুত আশাৰ জিলিকনি
সমগ্ৰ পৃথিৱীখনেই হাতৰ মুঠিৰে খামুচি ধৰাৰ মন
বিজ্ঞান-প্ৰযুক্তিৰ সৰলতাৰে
ধৰাৰ বুকুত সোণগুটি গজোৱাৰ মন !
সেই যে, IDA বিল্ডিঙ'ৰ কোঠাবোৰ
প্ৰতিটো শ্ৰেণীৰ আগৰ আৰু পাছৰ
অবিৰত কলকলনিবোৰ!
ৰাথায়া ছাৰ, সত্যেন দত্ত ছাৰ, দিপ্তী বৰা ছাৰ,
মধুমিতা বাইদেউ ইত্যাদি
চাৰ-বাইদেউসকলৰ জ্ঞানগৰ্ভ শিকনিবোৰ

প্ৰেক্টিকেল, ইনচেক্ট বক্স, হাৰবেৰিয়াম
জমা দিয়াৰ উৎকণ্ঠা
মিডটাৰ্ম-এণ্ডটাৰ্ম পৰীক্ষাৰ
'ৱান নাইট প্ৰিপেয়াৰেচন'
'পানী নাই, কাৰেণ্ট নাই, কাইলৈ পৰীক্ষা নহয়'ৰ
ক্ষণিক আনন্দবোৰ
কেনেকৈ পাহৰোঁ!

কেনেকৈ পাহৰোঁ
অ'ডিটৰিয়িমৰ কিৰিলি
আৰু 'নাইট ভলীবল'ৰ উত্তেজনা
'চেণ্ট্ৰেল দিৱালী' আৰু 'কলেজ উইক'ৰ
বিজয়ৰ ৰঙীণ মুহূৰ্তবোৰ!
অন্তৰ বিনিময়ৰ মধুৰ ক্ষণসমূহ
কত' যে সপোন, কত' আশা!
কেনেকৈ পাহৰোঁ
খান দাৰ কেণ্টীনৰ ধূম্ৰায়িত চাহকাপৰ
সেই চিনাকি চুমুক...
বিপণী, চাহু দাৰ ৰুটী আৰু পিঁয়াজ ভজা
'গ'ল্ডেন ষ্ট'ৰ্চ'ৰ দুলুকনো পাহৰোঁ কেনেকৈ!
পাহৰিব নোৱৰোঁ 'ফ্ৰি ইভিনিং'ৰ মাদকতা
গড় আলি, কল্পনা, ইলি, প্ৰভৰাজ
আৰু কাঞ্চন নগৰক!
'ট্ৰায়েংগোল' আৰু 'ইউনিভাৰ্চিটি গেট'ৰ সন্মুখৰ
'ছিনিয়ৰ দাদা'সকলৰ সুহুৰী আৰু জোকনীবোৰে
যেন ৰিঙিয়াই মাতে!
'পি চি পি', 'এক্সকাৰচন'
আহ কত' কথা
কত' সোঁৱৰণী!!
'ফোৰ্থ ইয়েৰ নাইট'ৰ
উন্মাদনাত উটি- ভাঁহিযোৱা আমি!
বিদায়ৰ অশ্ৰুসিক্ত
সেই গধুৰ মুহূৰ্তবোৰ
পাহৰিব নোৱাৰোঁ!

জীৱনৰ বাটত বাট বুলোঁতে
কত যে বসন্তই মেলানি মাগিলে,
ক'ত পালোঁ ক'ত হেৰুৱালোঁ !!
জীৱনৰ নতুন দায়িত্বই সজাই- পৰাই
প্ৰত্যেকেলৈ কঢ়িয়াই আনিলে
এক সুকীয়া গাম্ভীৰ্য
সুকীয়া সৌন্দৰ্য!

হে সতীৰ্থবৃন্দ,
পুনৰ মিলনৰ এই শুভ ক্ষণত
পুনৰ বন্ধুত্বৰ আত্মীয়তাৰে
আন্তৰিকতাৰ এনাজৰীৰে একাকাৰ হওঁ আহাঁ!

বন্ধুত্বৰ মদিৰাৰ ৰাগীত
বিভোৰ হৈ
জীৱন-বীক্ষাৰ জয়গীত গাওঁ!
জয়তু বন্ধুত্ব!!!!!

